অধ্যায় ৫ ঃ প্রাক্-শঙ্কৰী যুগ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ প্রাক্-শঙ্কৰী যুগৰ সাহিত্য আৰু সাহিত্যিকসকল
৫.৩.১ হেম সৰস্বতী
৫.৩.২ কবিৰত্ন সৰস্বতী
৫.৩.৩ হৰিবৰ বিপ্র
৫.৩.৪ মাধৰ কন্দলি
৫.৩.৫ ৰুদ্র কন্দলি
৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৫ অধিক জানিবলৈ
৫.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.৭ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রাক্-শঙ্কৰী যুগৰ পাঁচজন কবিৰ কাব্য প্রতিভাৰ লগতে এই যুগৰ সাহিত্যৰ বিষয়বস্তু তথা স্বৰূপ সম্বন্ধে জানিব পাৰিব
- প্রাক্-শঙ্কৰী যুগৰ সাহিত্য সৃষ্টিত ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ এটি চমু আভাস পাব
- সংস্কৃত গ্রন্থৰ অনুবাদ হিচাপে আলোচ্য যুগৰ অসমীয়া সাহিত্যৰাজিৰ সর্বভাৰতীয় সাহিত্য-সংস্কৃতিৰ সৈতে থকা সম্পর্কৰ বিষয়ে জানিব পাৰিব
- প্রাক্-শঙ্কৰী যুগৰ শ্রেষ্ঠ কবি মাধৰ কন্দলিৰ লগতে অন্যান্য কবি কেইজনৰ অনুবাদ-ৰীতিৰ আভাস পাব।

৫.২ পৰিচয়

অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়নৰ দ্বাৰা যুগভেদে সৃষ্টি হৈ অহা ন ন ৰূপৰ অসমীয়া সাহিত্যৰাজিৰ বিষয়ে জানিব পৰা যায়। ইয়াৰ আগৰ অধ্যায়ত আপুনি প্রত্ন আৰু মিশ্র অসমীয়া সাহিত্যৰ স্বৰূপ সম্বন্ধে অধ্যয়ন কৰিলে। এই অধ্যায়টিত প্রাক্-শঙ্কৰী যুগ বুলি অভিহিত কৰা শঙ্কৰদেৱৰ পূর্বৰ অসমীয়া সাহিত্যৰ এটি আলোচনা দাঙি ধৰা হ'ব। আলোচ্য যুগটোৰ অন্তর্গত সাহিত্যিক হিচাপে পাঁচজন কবিৰ নাম জনা যায়। তেওঁলোক হ'ল— হেম সৰস্বতী, কবিৰত্ন

সৰস্বতী, হৰিবৰ বিপ্ৰ, মাধৱ কন্দলি আৰু ৰুদ্ৰ কন্দলি। এই প্ৰতিভাশালী কবি কেইজনৰ হাতত সৃষ্টি হোৱা সাহিত্যৰাজি মূলতঃ অনুবাদমূলক আৰু পদ্য ৰূপৰ। অধ্যায়টিৰ আলোচনাৰ পৰিসৰ উক্ত কবি কেইজন আৰু তেওঁলোকৰ সাহিত্যৰাজিৰ পৰিচয়তে সীমাবদ্ধ নাৰাখি এই সময়ছোৱাৰ সাহিত্যৰাজিৰ ৰচনা ৰীতি, সাহিত্যিক সৌন্দৰ্য্য, ভাষাকে ধৰি এটি সামগ্ৰিক বিচাৰ-বিশ্লেষণ দাঙি ধৰা হ'ব।

৫.৩ প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্য আৰু সাহিত্যিকসকল

খ্ৰীষ্টিয় ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ পৰা পঞ্চদশ শতিকাৰ মাজভাগলৈ প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্যৰ সময় নিৰ্দ্ধাৰণ কৰিব পাৰি। এই সময়ৰ সাহিত্যৰাজি সংস্কৃত গ্ৰন্থৰ আলমত ছন্দোবদ্ধভাৱে ৰচনা কৰা হৈছিল। খ্ৰীষ্টিয় দশম-দ্বাদশ শতিকাত ৰচিত বুলি অনুমান কৰা চৰ্যাপদ প্ৰাক্-শঙ্কৰী যুগৰে সৃষ্টি যদিও সাহিত্যৰ বুৰঞ্জীত ইয়াক প্ৰত্ন-অসমীয়া সাহিত্যৰ নিদৰ্শন ৰূপে ধৰা হৈছে। চৰ্যাপদৰ পৰৱৰ্তী চতুৰ্দশ শতিকালৈ অসমীয়া সাহিত্যৰ কোনো স্থায়ী সাহিত্যিক নিদৰ্শন পোৱা নাযায়। অৱশ্যে চতুৰ্দশ শতিকাৰ সময়ছোৱাৰ পাঁচজন কবিৰ হাতত উচ্চ মানবিশিষ্ট সাহিত্যৰ সৃষ্টিয়ে দ্বাদশৰ পৰা চতুৰ্দশলৈ এই দুশ বছৰীয়া কালছোৱাত সাহিত্যৰ ক্ৰমাগত ৰচনাৰ সম্ভাৱনীয়তাকে সূচায়।

প্ৰাচীন ভাৰতীয় সাহিত্যক প্ৰধান অৱলম্বন হিচাপে লৈ প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্যৰাজিৰ সৃষ্টি হৈছিল। সেয়েহে এই যুগৰ সাহিত্যৰ বিষয়বস্তু আছিল সৰ্বভাৰতীয় সংস্কৃতি আৰু আদৰ্শৰ বাহক। মাধৱ কন্দলি, হৰিবৰ বিপ্ৰ, ৰুদ্ৰ কন্দলি আৰু কবিৰত্ন সৰস্বতীয়ে *ৰামায়ণ*-*মহাভাৰতৰ* কাহিনীক কাব্য ৰচনাৰ বিষয়বস্তু ৰূপে গ্ৰহণ কৰিছিল। মূল বাল্মীকিৰ সংস্কৃত ৰামায়ণৰ আধাৰত মাধৱ কন্দলিয়ে *ৰামায়ণৰ* অসমীয়া ভাঙনি কৰিছে। হৰিবৰ বিপ্ৰই ৰচনা কৰা *লৱ-কুশৰ যুদ্ধ* নামৰ কাব্যখনৰ কাহিনী *মহাভাৰতৰ* জৈমিনীয় *অশ্বমেধ পৰ্ব্ব* পৰা গ্ৰহণ কৰিলেও এইখন *ৰামায়ণী কথাশ্ৰয়ী কাব্যহে*। তেওঁৰ আন দুখন কাব্য *বভ্ৰুবাহনৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধৰ* মূল হ'ল *মহাভাৰতৰ* জৈমিনীয় *অশ্বমেধ পৰ্ব*। কবিৰত্ন সৰস্বতীৰ *জয়দ্ৰথ বধ* আৰু ৰুদ্ৰ কন্দলিৰ *সাত্যকি প্ৰৱেশ মহাভাৰতৰ দ্ৰোণপৰ্ব্ব* কাহিনীৰ আধাৰত ৰচিত কাব্য।

আলোচ্য যুগত *পুৰাণৰ* ভক্তিমূলক আখ্যানো কাব্যৰ আকাৰত প্ৰচাৰিত হৈছিল। *পুৰাণ* কাহিনীৰ আধাৰত ৰচিত *পুৰাণ* কাব্য হ'ল হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত্ৰ* আৰু *হৰগৌৰী সম্বাদ*।

প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্যৰাজি প্ৰধানকৈ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত। কামৰূপ ৰাজ্যৰ পশ্চিমফালে ৰাজত্ব কৰা কমতাপুৰৰ ৰাজবংশ আৰু পূবফালৰ ভূখণ্ডত শাসন কৰা বৰাহী (কছাৰী) ৰাজবংশৰ পৃষ্ঠপোষকতাত এই সময়ৰ সাহিত্যৰাজিৰ সৃষ্টি হৈছিল। উল্লেখযোগ্য যে কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণ, তেওঁৰ পুত্ৰ ইন্দ্ৰনাৰায়ণ আৰু শ্ৰীমন্ত তাম্ৰধ্বজৰ লগত বৰাহী ৰজা মহামাণিক্য আদি জনজাতীয় মূলৰ ৰজাৰ অনুপ্ৰেৰণাত এই যুগৰ কবিসকলে উৎকৃষ্ট কাব্য ৰচনা কৰি অসমীয়া সাহিত্যৰ সুদৃঢ় ভেটি গঢ়ি তুলিলে। জনগণৰ মাজত শিক্ষা তথা চিত্ত বিনোদনৰ উদ্দেশ্য আৰু ৰজাসকলৰ স্বকীয় কাব্যস্পৃহা —এই যুগৰ সাহিত্য সৃষ্টিৰ অন্যতম কাৰণ বুলি ক'ব পাৰি।

প্রাক্-শঙ্কৰী যুগৰ পাঁচোজন কবিৰ ৰচনাৰাজিয়ে অসমীয়া সাহিত্যক আৰম্ভণি স্তৰতে ঐশ্বৰ্যশালী কৰি তুলিছে। এই কালছোৱাৰ কবিসকলৰ কাব্যৰাজিৰ পৰাই অসমীয়া সাহিত্যই সাহিত্যিক ৰূপ লাভ কৰিবলৈ সমৰ্থ হয়। বিশেষকৈ ভাৰ প্ৰকাশৰ বাবে উপযুক্ত শব্দৰ প্ৰয়োগ, বিভিন্ন ছন্দ সজ্জা, বিবিধ অলঙ্কাৰ প্ৰয়োগ, পৰিৱেশ, চৰিত্ৰ চিত্ৰণ আদিৰে এই সময়ৰ ৰচনাৰাজি সাহিত্যিক সৌন্দৰ্য্যৰে সৌন্দৰ্য্যশালী হৈ পৰিছে। মুঠতে এই যুগৰ প্ৰতিভাশালী সাহিত্যিক হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিবৰ বিপ্ৰ, মাধৱ কন্দলি আৰু ৰুদ্ৰ কন্দলিয়ে ৰচনা কৰা সাহিত্যৰাজি নিঃসন্দেহে উচ্চমান বিশিষ্ট।

৫.৩.১ হেম সৰস্বতী

পুৰাণৰ আখ্যানৰ আধাৰত কাব্য ৰচনা কৰা প্ৰাক্-শঙ্কৰী যুগৰ এজন বিশিষ্ট কবি হ'ল হেম সৰস্বতী। *পুৰাণ* কাহিনীৰ আধাৰত ৰচনা কৰা তেওঁৰ দুখন কাব্য গ্ৰন্থ হ'ল— *প্ৰহ্লাদ চৰিত্ৰ* আৰু *হৰগৌৰী সম্বাদ*। *হৰগৌৰী সম্বাদ* গ্ৰন্থখনি এতিয়ালৈকে সম্পূৰ্ণভাৱে সম্পাদিত ৰূপত প্ৰকাশ হৈ ওলোৱা নাই। এই দুয়োখন গ্ৰন্থৰ আত্মপৰিচয় সূচক পদৰ পৰা কবিৰ বিষয়ে কিছু জনা যায় যদিও তেওঁৰ পৰিচয় তাত স্পষ্ট হৈ উঠা নাই। *প্ৰহ্লাদ চৰিত্ৰত* কবিৰ আত্মপৰিচয়ৰ উল্লেখ এনে ধৰণৰ—

"কমতামণ্ডল, দুৰ্লভনাৰায়ণ, নৃপবৰ অনুপাম।
তাহান ৰাজ্যত, ৰুদ্ৰ সৰস্বতী, দেৱযানী কন্যা নাম।।
তাহান তনয় হেম সৰস্বতী, ধ্ৰুৱৰ অনুজ ভাই।
পদবন্ধে তেহো, প্ৰচাৰ কৰিলা, বামন পুৰাণ চাই।।"

উক্ত পদ কেইফাঁকিৰ পৰা হেম সৰস্বতী ৰুদ্ৰ সৰস্বতী নে দেৱযানীৰ পুত্ৰ তাক স্পষ্টকৈ জানিব পৰা নাযায়। *হৰগৌৰী সম্বাদত* কবিৰ ভণিতা এনে ধৰণৰ—

"ভূপ দুৰ্লভ নাৰায়ণ পাত্ৰ পশুপতি সুত
সৰ্বশাস্ত্ৰে পণ্ডিত সুজান
তাহাৰ তনয় চাৰি ধনঞ্জয় আদি কৰি
ধ্ৰুৱ ভৈল কুলত প্ৰধান
অপৰ হেমন্ত কবি হৰগৌৰী পদ সেৰি
হেম সৰস্বতী ভৈল নাম।"

ওপৰৰ এই বৰ্ণনা অনুসৰি দুৰ্লভ নাৰায়াণৰ কৰ্মচাৰী পশুপতিৰ পুত্ৰৰ চাৰিজন সন্তানৰ ভিতৰত ধ্ৰুৱ প্ৰধান আৰু আনজন হেমন্ত কবি অৰ্থাৎ হেম সৰস্বতী। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে পশুপতি পাত্ৰৰ পুত্ৰ সম্ভৱতঃ ৰুদ্ৰ সৰস্বতী। 'ৰুদ্ৰ' আৰু 'পশুপতি' সমাৰ্থক শব্দ, গতিকে 'পাত্ৰ পশুপতি সুত' বাক্যাংশই ৰুদ্ৰ সৰস্বতীক বুজাইছেনে হেম সৰস্বতীয়ে নিজকে বুজাইছে সেইটো অস্পষ্ট। দুয়োখন কাব্যৰ পৰিচয়সূচক পদৰ সামঞ্জস্য নাই যদিও ইয়াত এটা কথা স্পষ্ট যে কবি হেম সৰস্বতী কমতাধিপতি দুৰ্লভ নাৰায়ণৰ আমোলৰ

কবি। সেয়েহে দুৰ্লভ নাৰায়ণৰ ৰাজত্ব কালেই কবিৰো কাব্য ৰচনাৰ সময় বুলি ক'ব পাৰি। দুৰ্লভ নাৰায়ণৰ ৰাজত্ব কাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত মত-বিৰোধ আছে। কনকলাল বৰুৱা, দেবানন্দ ভৰালীৰ মতে তেওঁ চতুৰ্দশ শতিকাৰ মাজভাগৰ কবি। ইয়াৰ বিপৰীতে এডৱাৰ্ড গেইট, কালিৰাম মেধি, সত্যেন্দ্ৰনাথ শৰ্মা, বাণীকান্ত কাকতি আদি পণ্ডিতসকলে দুৰ্লভ নাৰায়ণৰ অৱস্থিতিৰ কাল ত্ৰয়োদশ শতিকাৰ শেষৰ পৰা চতুৰ্দশ শতিকাৰ প্ৰথম ভাগ বুলি নিৰ্ণয় কৰিছে। গতিকে এই বিশিষ্ট পণ্ডিত আলোচকসকলৰ মন্তব্যৰ ওপৰত ভিত্তি কৰি ক'ব পাৰি যে ত্ৰয়োদশ শতিকাৰ শেষাংশৰ পৰা চতুদৰ্শ শতিকাৰ প্ৰথমাংশই দুৰ্লভ নাৰায়ণৰ ৰাজত্বৰ সময়। সেয়েহে *প্ৰহ্লাদ চৰিত্ৰ* কাব্যও এই সময়ছোৱাৰেই সৃষ্টি।

কবি হেম সৰস্বতীয়ে উল্লেখ কৰা কমতা মণ্ডলে এসময়ত কামৰূপ, গোৱালপাৰা, কোচবিহাৰ আৰু জলপাইগুড়িক সামৰি লৈছিল। গতিকে হেম সৰস্বতী নিশ্চয় পশ্চিম অসমৰ উক্ত কোনো এটি অঞ্চলৰ লোক আছিল। কবি গৰাকীৰ পিতৃ পৰিচয় স্পষ্ট নহ'লেও তেওঁৰ পিতৃ আৰু তেওঁ নিজে যে পণ্ডিত ব্যক্তি আছিল সেয়া সত্য। কাৰণ পুৰণি কালত বিশিষ্ট ব্যক্তিকহে সৰস্বতী উপাধি প্ৰদান কৰা হৈছিল।

১৯২৩ চনত ভাষাবিদ কালিৰাম মেধিয়ে সম্পাদনা কৰা হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত্ৰ* এশপদযুক্ত এখন নাতিদীৰ্ঘ্য বৰ্ণনাত্মক কাব্য। অসমীয়া কাব্যৰ ইতিহাসত এই গ্ৰন্থখনিৰ মূল্য অপৰিসীম। এই পুথিখন কবিজনাই *বামন পুৰাণ* চাই ৰচনা কৰা বুলি কৈছে যদিও বৰ্তমানে প্ৰাপ্ত *বামন পুৰাণত* প্ৰহ্লাদ হিৰণ্যকশিপুৰ আখ্যানটি পোৱা নাযায় সেইবাবে পণ্ডিতসকলে অনুমান কৰে যে হেম সৰস্বতীৰ সময়ত *বামণ পুৰাণ* নামৰ কোনো *উপ-পুৰাণৰ* পৰা কাহিনী গ্ৰহণ কৰি কাব্যখন ৰচনা কৰা হৈছে। কাব্যখনত পুত্ৰ প্ৰহ্লাদৰ বিষ্ণুভক্তিৰ গভীৰতা, বামাণয় (অসুৰৰ শাস্ত্ৰ) অধ্যয়নৰ প্ৰতি পুত্ৰৰ অনীহা, মুখত হৰিনামৰ সঘন উচ্চাৰণে দৈত্যৰাজ হিৰণ্যকশিপুক বিচলিত কৰে। তেওঁ সহস্ৰ হস্তী, বিষধৰ সাপ, গৰম তেল প্ৰয়োগ, এশ যোজন ওখ পৰ্বতৰ ওপৰৰ পৰা নিক্ষেপণ আদি নানান অমানুষিক শাস্তি প্ৰদান কৰিও পুত্ৰক হৰিভক্তিৰ পৰা বাৰণ কৰিব পৰা নাছিল। অৱশেষত ৰাজ্যভাৰ অৰ্পণৰ দৰে লোভনীয় প্ৰস্তাৱ দাঙি ধৰি পুত্ৰক হৰিনাম স্মৰণৰ পৰা বিৰত ৰাখিবলৈ চেষ্টা কৰে যদিও বিফল হয়, কাৰণ প্ৰহ্লাদে স্পষ্টকৈ ব্যক্ত কৰিছে— "মাধৱেসে পিতা-মাতা, মাধৱেসে প্ৰাণ/মাধৱত পৰ কোন বন্ধু আছে আন"। অৱশেষত নৰসিংহ ৰূপী হৰিৰ হাতত হিৰণ্যকশিপুৰ কৰুণ মৃত্যুৰ দ্বাৰা কাব্যখনৰ সামৰণি মৰা হৈছে।

হৰি আৰু হিৰণ্যকশিপুৰ দ্বৈৰথ যুদ্ধখনৰ আৰম্ভণিতে ভগৱানৰ অস্তিত্বক লৈ পিতা-পুত্ৰৰ মাজত তৰ্কৰ সূচনা কৰা হৈছে। হৰিৰ প্ৰতি বিৰুদ্ধভাৱাপন্ন হিৰণ্যকশিপুৰ সকলো যুক্তি প্ৰত্যাখ্যান কৰি হৰি যে সকলোতে বিৰাজমান তাৰ প্ৰমাণ চাবলৈ 'ফটিকৰ তম্ভে হৰি দেখিয়ো প্ৰত্যখ' বুলি প্ৰহ্লাদে পিতৃক প্ৰত্যাহ্বান জনাইছে। এনেকুৱা পৰিস্থিতিত হিৰণ্যকশিপু অধিক ক্ৰোধান্বিত হৈ মুষ্টি প্ৰহাৰেৰে স্ফটিকৰ স্তম্ভ ভাঙি পেলোৱাত নৰসিংহ

ৰূপী হৰি ওলাই আহে। উভয়ৰ মাজত আৰম্ভ হোৱা যুদ্ধৰ বৰ্ণনা কবিয়ে ঘৰুৱা অথচ চমৎকাৰী ৰূপত সুন্দৰ চিত্রকল্পৰ মাজেৰে দাঙি ধৰিছে—

"গিৰ্‌গিৰ্ শৱদে-লৰিলা ভূমি চাল।
ঘনে ঘনে কাম্পন্ত পৃথিৱী সাত তাল।।
চোবায়ে দখন অতি তেজয় আটাস।
স্বৰ্গ-মৰ্ত্য-পাতালত লাগিল তৰাস।।
থলে যেবে যুজে থল যাই ৰসাতল।
জলে খেবে যুজে জল শুকায় সকল।।"

যুদ্ধৰ অন্তত নৰসিংহৰ হাতত হিৰণ্যকশিপুৰ মৃত্যুৰ দৃশ্যটি উপমা অলঙ্কাৰ প্রয়োগেৰে অতি আকর্ষণীয় ৰূপত দাঙি ধৰা হৈছে— "গিৰিক ভেদিয়া যেন বহি যাই জল/হিৰণ্যৰ তেজে বসুমতী গৈলা তল"। তদ্রূপ পিতৃৰ মৃত্যুত অনুশোচনাত দগ্ধ প্রহ্লাদক নাৰায়ণে নানান দার্শনিক তত্ত্বপূর্ণ বাক্যৰে সান্ত্বনা দিয়া দৃশ্যটি উপমা অলঙ্কাৰৰ মাজেৰে সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। নাৰায়ণৰ এই সান্ত্বনা বাণীত পতিয়ন গৈ অৱশেষত প্রহ্লাদে ভগৱানক স্তুতি কৰে—

"নমোঃ নাৰায়ণ প্রভু দেৱ যদুপতি।
তোমাৰ চৰণে মোৰ থাকোক ভকতি।।
ভকত বৎসল প্রভু কৰুণা সাগৰ।
মই অনাথক নছাৰিবা দামোদৰ।।
অভয় চৰণে মই পশিলো শৰণ।
অপাৰ সাগৰে পাৰ কৰা নাৰায়ণ।।"

এনেদৰে ভগৱানৰ চৰণত প্রহ্লাদৰ আত্মসমর্পণে হেম সৰস্বতীৰ কাব্যত বৈষ্ণৱ আদর্শ প্রতিফলনৰ ইঙ্গিত দিয়ে। *প্রহ্লাদ চৰিত্র* কাব্যৰ কাহিনীভাগেই মূলতঃ বিষ্ণুৰ মাহাত্ম্য প্রকাশক। ঘটনাক্রমৰ মাজত বিভিন্ন ধৰণে হৰিভক্তিৰ মাহাত্ম্য আৰু তত্ত্বমূলক উপদেশ প্রকাশ কৰাৰ উপৰি কাব্যখনত বিষ্ণু মাহাত্ম্যসূচক ভণিতা সংযোগ কৰিও কাব্যখনত বিষ্ণুৰ মাহাত্ম্য প্রকাশ কৰা হৈছে। সেয়েহে কালিৰাম মেধিয়ে *প্রহ্লাদ চৰিত্র* কাব্যখনিক বৈষ্ণৱ ধর্মৰ প্রথম অসমীয়া পুথি বুলি আখ্যা দিছে।

কলাত্মক দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে *প্রহ্লাদ চৰিত্রৰ* কাব্যিক ৰূপায়ণ উচ্চ-মানবিশিষ্ট বুলি ক'ব নোৱাৰি। অৱশ্যে অসমীয়া সমাজত প্রচলিত প্রবচন সদৃশ বাক্য, বিবিধ অলঙ্কাৰ প্রয়োগৰ দ্বাৰা কাব্যখন আকর্ষণীয় কৰি তোলাৰ উপৰি ইয়াৰ মাজেৰে কবিৰ কাব্যনৈপুণ্যও ফুটাই তোলা হৈছে। উদাহৰণ স্বৰূপে, 'দান্ত ভাঙ্গাঁ সর্পৰ ফেন্ফনিহে সাৰ', 'হৰি— যাক ৰক্ষা কৰে মাৰে তাক কুণে', 'মোহোৰ বংশত উপজিল ধুমকেতু' আদি ঘৰুৱা চিত্রকল্পই কাব্যখন সাধাৰণ পাঠকৰ বাবে গ্রহণীয় কৰি তুলিছে। কাব্যখনৰ প্রতি আকর্ষণ বঢ়োৱাত সহায় কৰা কেতবোৰ অলঙ্কাৰ প্রয়োগৰ নিদর্শন এনে ধৰণৰ—

- *তালুত লাগিলা যেন প্রচণ্ড অগনি* (উপমা)
- *পতঙ্গঁম হুয়া কৰে অগণিত জাস* (নিদর্শনা)
- *একো একো সর্পক দেখন্তে ভয়ঙ্কৰ।*
  ফনায়ে লঙিঘলা যেন মেঘ আকাশৰ।। (অতিশয়োক্তি)
- *প্রহ্লাদৰ গাৱ যেন চন্দন শীতল* (বিভাৱনা)

ভাষাৰ ক্ষেত্রত বিচাৰ কৰিলে দেখা যায় যে তেওঁৰ বর্ণনা সৰল আৰু ঘৰুৱা, ভাষাৰ আড়ম্বৰ নাই। কাব্যখনত যুক্তাক্ষৰবোৰ ভাঙি সৰল কৰা হৈছে। প্রাকৃতৰ সময়ত সংস্কৃত শব্দাৱলীৰ যি বর্ণ বিভ্রাট ঘটিছিল তাৰ নিদর্শন কাব্যখনত পৰিলক্ষিত হয় বুলি কালিৰাম মেধিয়ে মন্তব্য কৰি কৈছে। উদাহৰণ স্বৰূপে, প্রাকৃতৰ দৰে শ, ষ, স-ৰ ঠাইত 'স'ৰ প্রয়োগ দেখা যায়। যেনে— সিৰোগত সৰণ আদি। 'ৰ'ৰ ঠাইল 'ল', স, শ-ৰ ঠাইত 'খ', 'স', 'ও'-কাৰৰ ঠাইত 'ঊ', 'অ'-ৰ ঠাইত 'ও', হ্রস্ব-দীর্ঘ্য, দন্ত্য-মূর্ধণ্যৰ অভেদ ব্যৱহাৰ, 'ষ্ণ'-ৰ ঠাইত 'ষ্ট' হোৱা দেখা যায়। অৱশ্যে আখৰ জোঁটনিৰ এই পৰিৱর্তন লিপিকাৰৰ প্রমাদো হ'ব পাৰে বুলি সত্যেন্দ্রনাথ শর্মাই মন্তব্য কৰিছে।

মুঠতে সময়ৰ দৃষ্টিকোণত বিচাৰ কৰিলে *প্রহ্লাদ চৰিত্রক* অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ইতিহাসত এখন মূল্যবান গ্রন্থ বুলি অভিহিত কৰিব পাৰি।

হেম সৰস্বতীৰ অন্য গ্রন্থ *হৰগৌৰী সম্বাদ* ৮৯৯টা পদত ৰচিত। পুথিখন হিৰণ্যকশিপুৰ বধ, তাৰকাসুৰৰ যুদ্ধ, শিৱৰ তপস্যা, কামদেৱ ভস্ম, হৰগৌৰীৰ বিবাহ, কার্তিকৰ জন্ম আদি পুৰাণোক্ত কথাৰ আধাৰত ৰচনা কৰা হৈছে। পুথিখনৰ প্রথম অধ্যায়ৰ বিষয়বস্তু *নৰসিংহ পুৰাণ* আৰু বাকী অধ্যায়ৰ বিষয়বস্তু *হৰগৌৰী সম্বাদৰ* পৰা লোৱা হৈছে। *কালিকা পুৰাণ* আৰু *নৰসিংহ পুৰাণৰ* আলমত *হৰগৌৰী সম্বাদৰ* কাহিনী ৰচনা কৰা হৈছে। এই পুথিখন বর্তমানলৈ প্রকাশ হোৱা নাই। পুথিখনৰ এটা নকল গৌৰীপুৰৰ অজয় কুমাৰ চক্রৱর্তীৰ হাতত পোৱা গৈছে। সত্যেন্দ্রনাথ শর্মাৰ মতে কাব্যখনত কবি হেম সৰস্বতীৰ কবিত্ব গুণৰ পৰিচয় পোৱা নাযায়।এই পুথিখন প্রকাশিত হ'লেহে কবিৰ কাব্য প্রতিভাৰ সম্যক আলোচনা হোৱাটো সম্ভৱ বুলি তেওঁ উল্লেখ কৰিছে।



জানি থোৱা ভাল

শঙ্কৰী যুগত অসমীয়া পুৰাণ সাহিত্যই বিস্তৃতি লাভ কৰে যদিও পুৰাণাশ্রয়ী কাব্যৰ শুভাৰম্ভ হৈছিল প্রাক্-শঙ্কৰী যুগতে। কমতাপুৰৰ ৰজা দুর্লভ নাৰায়ণৰ ৰাজত্ব কালৰ সময়ৰ হেম সৰস্বতীক প্রথম অসমীয়া পুৰাণ-সাহিত্যিক বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ হেম সৰস্বতীৰ সময় নিৰূপণ কৰি তেওঁৰ সাহিত্য-ৰাজিৰ চমু আলোচনা দাঙি ধৰক।(১৫০টা শব্দৰ ভিতৰত লিখক।)

৫.৩.২ কবিৰত্ন সৰস্বতী

কবিৰত্ন সৰস্বতী *মহাভাৰতৰ* আখ্যানৰ আধাৰত কাব্য ৰচনা কৰা প্রাক্-শঙ্কৰী যুগৰ অন্য এগৰাকী উল্লেখযোগ্য কবি। তেওঁ *মহাভাৰতৰ* দ্রোণপর্বৰ অন্তর্গত *জয়দ্রথ বধ* আৰু তাৰ লগত সংশ্লিষ্ট ঘটনাংশ কাব্যিক ৰূপত বর্ণনা কৰিছে। কবি পৰিচয়ত *জয়দ্রথ বধ* ৰচনা কৰা বুলি তেওঁ স্পষ্টভাৰে উল্লেখ কৰিছে। অৱশ্যে এই কাব্যখন দুষ্প্রাপ্য। ইয়াৰ কোনো পাণ্ডুলিপি উদ্ধাৰ হোৱা নাই। অসমীয়া সাহিত্যৰ চানেকি, অসমীয়া মহাভাৰত (২য় খণ্ড) আদিত কাব্যখনৰ *কৈলাস বর্ণনা* অংশৰ বাহিৰে কবিজনাৰ অন্য কোনো ৰচনা অন্তর্ভুক্ত হোৱা নাই। *কৈলাস বর্ণনা* অংশৰ ভণিতাটিৰ শেষৰ অংশৰ লিখনিৰ মাজেৰে কবিৰ পৰিচয় পোৱা যায়। পৰিচয়সূচক লিখনিৰ পৰা জনা যায় যে কবিৰ ঘৰ ৰৰপেটাৰ ছোটশিলা গাঁৱত। কায়স্থ চক্রপাণি শিকদাৰ আছিল কবিৰ পিতৃ আৰু তেওঁ ৰাজবিষয়া আছিল। চন্দ্রমাৰ দৰে নিষ্কলুষ চক্রপাণি শিকদাৰ আছিল বংশৰ মুখ উজ্জ্বল কৰোঁতা পণ্ডিত প্রবীণ ব্যক্তি। এইজন ব্যক্তিৰ পুত্র কবিৰত্ন সৰস্বতীয়ে কাব্য ৰচনাৰ ক্ষেত্রত কমতাপুৰৰ ৰজা দুর্লভ নাৰায়ণৰ পুত্র ইন্দ্র নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা বুলি কবিৰ লিখনিৰ মাজেৰে জানিব পাৰি।

কনকলাল বৰুৱাই ইন্দ্র নাৰায়ণৰ ৰাজত্ব কাল ১৩৫০-৬৫ বুলি সিদ্ধান্ত কৰিছে। গতিকে কবিৰত্ন সৰস্বতী চতুর্দশ শতিকাৰ মাজভাগৰ কবি বুলি ক'ব পৰা যায়। সত্যেন্দ্রনাথ শর্মায়ো *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* কবিজনাক চতুর্দশ শতিকাৰ মাজভাগত স্থাপন কৰিব পাৰি বুলি উল্লেখ কৰিছে। গতিকে এই সময়ছোৱাই কবিৰত্ন সৰস্বতীৰ কাব্য ৰচনাৰ সময় বুলি ক'ব পাৰি।

হেমচন্দ্র গোস্বামী সংগৃহীত *অসমীয়া সাহিত্যৰ চানেকিত* অন্তর্ভুক্ত *জয়দ্রথ বধৰ* কৈলাস বর্ণনা অংশটি অতি মনোৰম আৰু বিস্তৃত। এই অংশটোৰ পৰাই কবিৰত্ন সৰস্বতীৰ কাব্যিক প্রতিভাৰ কিছু আভাস পাব পাৰি। কবিয়ে মূলৰ ঘটনা অংশৰ বর্ণনাৰ মাজত স্বকীয় কাল্পনিক চিন্তাৰে দুলড়ী ছন্দত *কৈলাস বর্ণনা* অংশটিৰ মনোৰম চিত্র এটি দাঙি ধৰিছে। কবিয়ে এই অংশটিত নানাবিধ ফুলে-ফলে জাতিষ্কাৰ হৈ থকা প্রাকৃতিক জগতৰ বর্ণনাখিনি অসমৰ প্রকৃতি ৰাজ্যৰ ভিতৰুৱা হিচাপে অঙ্কন কৰিছে। অনুবাদ কাব্যৰ মাজত এনেকুৱা স্থানীয় পৰিৱেশ সৃষ্টি কৰিব পৰা দক্ষতা সঁচাকৈয়ে প্রশংসনীয়। উদাহৰণ—

"আম জাম শ্যাম, অতি অভিৰাম, শাল তাল ভাল দেখি।
ফুলিল কণ্টকী, সুৱর্ণ, কেতেকী, ফুলমধ্যে যাক লেখি।।
গুৱা নাৰিকল, জৰা পণিয়ল, লেতেকু, টেঙ্গা দাড়িম্ব।
যোলেঙ্গ মধুৰি আছে ডাল ভৰি, ৰসে টুপ টুপ জিম্ব।।
* * * * * * * * * * * * * * * * * *
ভ্রমে জাক হংস চক্রবাক, জলচৰ পক্ষীগণ।
ক্ষণে ক্ষণে উৰি, ফুৰি ফুৰি পৰি, জলত কৰে ক্রীড়ণ।।
লৱঙ্গ মালতী, ফুলিল সেউতী, কুন্দ কুৰুবক জাই।
জম্পা নাগেশ্বৰ, শিৰিষ বিস্তৰ, হাত মেলি ফুল পায়।।"

উল্লেখযোগ্য যে *কৈলাস বর্ণনাৰ* এই খণ্ডৰ লগত পৰৱর্তী কালৰ শঙ্কৰদেৱৰ *হৰমোহন খণ্ডৰ দিব্য উপবনৰ* বর্ণনাৰ বিষয়গত আৰু ভাষাগত মিল পৰিলক্ষিত হয়। বিশেষকৈ কবিৰত্নৰ 'দুলড়ী ছন্দৰ স্তৱক' (৩য় ফাঁকি)ত 'ফুল ভৰে ভাগে ডাল', 'বহয় মলয়া বাৱ' (৩য় ফাঁকি), 'খোপা সুলকিল কুসুম খসিল' (৪র্থ ফাঁকি) আদি চিত্রকল্পৰ অংশ কেইটা একে দুলড়ী ছন্দত লিখা শঙ্কৰদেৱৰ *হৰমোহন খণ্ডৰ* 'ফুলে ভৰে ভাঙ্গেঁ ডাল' (৬ষ্ঠ ফাঁকি), 'বহয় মলয়া বাৱ' (৬ষ্ঠ ফাঁকি), 'সোলকৈ উচ্চল খোপা খসৈ পাৰিজাত খোপা' (৪র্থ-৫ম ফাঁকি) আদিৰ যথেষ্ট মিল দেখা যায়। এই ক্ষেত্রত পৰৱর্তী কবি শঙ্কৰদেৱে হৰমোহনৰ *দিব্য উপবন* বর্ণনাত কবিৰত্ন সৰস্বতীৰ লিখনিৰ দ্বাৰা উপকৃত হৈছিল বুলি ধৰি ল'ব পাৰি। কবিৰত্ন সৰস্বতীৰ *কৈলাস বর্ণনাৰ* উপবন বর্ণনা লক্ষ্য কৰি তেওঁৰ কাব্য প্রতিভাৰ বিষয়ে সত্যেন্দ্রনাথ শর্মাই লিখিছে যে মহাপুৰুষ শঙ্কৰদেৱৰ বর্ণনাৰ সমকক্ষ নহ'লেও প্রায় ওচৰে ওচৰে যাব পৰা কাব্য-সৌন্দর্য্য *কৈলাশ বর্ণনাত* আছে বুলি ক'লেও ভুল নহ'ব।

কবিৰত্ন সৰস্বতীয়ে কাব্যখন আকর্ষণীয় কৰি তুলিবৰ বাবে কোনো কোনো অংশ স্বকীয় কল্পনাৰে বর্ণনা কৰিছে। উদাহৰণ স্বৰূপে, মূল *মহাভাৰতৰ* ভয়াবহ জীৱ-জন্তু, বাঘ আৰু সিংহৰ সলনি কবিয়ে শিৱৰ থানৰ চাৰিওফালে বিকৃত চেহেৰাৰ শিৱৰ অনুচৰ প্রমথসকলক উপস্থাপন কৰিছে। তদুপৰি গীত গোৱা কুবেৰৰ অনুচৰ, কিন্নৰসকলৰ পৰিৱর্তে কবিয়ে লাস্যময়ী অভিসাৰিকা আৰু নাৰীসকলক অঙ্কন কৰিছে। মূল *মহাভাৰতৰ কুবেৰৰ উদ্যান, সৰোবৰ* আদিৰ বর্ণনাত পদুম আৰু মদাৰ ফুলৰে ফুলৰ তালিকা সম্পূর্ণ কৰিছে। ইয়াৰ বিপৰীতে কবিৰত্ন সৰস্বতীয়ে এই বর্ণনাছোৱাত অসমৰ বিভিন্ন ফুলৰ নামেৰে ফুলৰ তালিকাখন দাঙি ধৰিছে।

মুঠতে বিষয়বস্তু ৰূপায়ণৰ দক্ষতা আৰু বর্ণনা শক্তিৰ ফালৰ পৰা কবিৰত্ন সৰস্বতী একেবাৰে উচ্চ খাপৰ কবি নহ'লেও নিম্ন খাপৰো নহয়। প্রায় শঙ্কৰী যুগৰ মাধৱ কন্দলি বা হৰিবৰ বিপ্রৰ দৰে শ্রেষ্ঠ আসন দাবী কৰিব নোৱাৰিলেও তেওঁৰ বর্ণনা যে মনোৰঞ্জক আৰু আমোদজনক তাক স্পষ্টকৈ বুজিব পাৰি। *জয়দ্রথ বধ* ৰচনা কৰাৰ আগতে কবিয়ে

শকুন্তলা উপাখ্যান আৰু *যযাতি চৰিত্ৰ* নামৰ দুখন কাব্য ৰচনা কৰা বুলি কাব্যখনত উল্লেখ আছে যদিও এই গ্ৰন্থ দুখনৰ কোনো সন্ধান পোৱা হোৱা নাই। ৰচনাৰ সীমাবদ্ধতাৰ বাবে অকল *কৈলাস বৰ্ণনাৰ* ভিত্তিত কবিজনাৰ সাহিত্যিক অৱদান সঠিক মূল্যায়ন সম্পূৰ্ণকৈ কৰিব পৰা নাযায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ কবিৰত্ন সৰস্বতীৰ কবি-প্ৰতিভা সম্পৰ্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক।)

৫.৩.৩ হৰিবৰ বিপ্ৰ

কমতাপুৰৰ ৰজাৰ পৃষ্ঠপোষকতাত কাব্য ৰচনা কৰা কবিসকলৰ ভিতৰত হৰিবৰ বিপ্ৰ সৰ্বশ্ৰেষ্ঠ। *বভ্ৰুবাহনৰ যুদ্ধ, লৱ-কুশৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ* —এই তিনিখন কাব্য পুথি হৰিবৰ বিপ্ৰৰ ৰচনা ৰূপে গৃহীত হৈছে। *বভ্ৰুবাহনৰ যুদ্ধত* দিয়া আত্মপৰিচয় সূচক লিখনিৰ পৰা জানিব পাৰি যে তেওঁ কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰিছিল। এইজন ৰজাৰ ৰাজত্ব কাল লৈ পণ্ডিতসকলৰ মাজত মতভেদ দেখা যায়। নগেন্দ্ৰ নাথ আচাৰ্য্যৰ মতে দুৰ্লভ নাৰায়ণে চতুৰ্দশ শতিকাৰ মাজ-ভাগত পশ্চিম অসমত ৰাজত্ব কৰিছিল আৰু হৰিবৰ বিপ্ৰ তেওঁৰ সভাকবি আছিল। কালিৰাম মেধিয়ে এডৱাৰ্ড গেইট, কনকলাল বৰুৱা আদি পণ্ডিতৰ মতামত বিচাৰ কৰি দুৰ্লভ নাৰায়ণৰ সময় খ্ৰীষ্টিয় দ্বাদশ শতিকাৰ শেষ আৰু ত্ৰয়োদশ শতিকাৰ আগভাগত বুলি অনুমান কৰিছে। সুপ্ৰতিষ্ঠিত অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰ সত্যেন্দ্ৰনাথ শৰ্মাই চতুৰ্দশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ দুৰ্লভ নাৰায়ণ ৰজাকে হৰিবৰ বিপ্ৰৰ পৃষ্ঠপোষক হিচাপে ধৰিব পাৰি বুলি যুক্তিৰে প্ৰতিপাদন কৰিছে। মহেশ্বৰ নেওগে 'Aspects of Early Assamese Literature' (২য় সংস্কৰণ, ১৯৫৯) গ্ৰন্থত সেই সময়ৰ সাহিত্যত উল্লেখ কৰা ৰজাসকলৰ ভিতৰত দুৰ্লভ নাৰায়ণকে প্ৰাচীনতম বুলি ভাবি তেওঁক ত্ৰয়োদশৰ শেষ নাইবা চতুৰ্দশৰ মাজভাগৰ ৰজা আছিল বুলি অনুমান কৰাৰ কথা উল্লেখ কৰিছে। এই গ্ৰন্থৰে আন এঠাইত চতুৰ্দশ শতিকাৰ দ্বিতীয় পাদ (১৩৩০-৫০) নাইবা ত্ৰয়োদশৰ পিছৰ ভাগেই দুৰ্লভ নাৰায়ণৰ ৰাজত্বৰ সময় বুলি পণ্ডিতসকলৰ সিদ্ধান্তৰ কথাও উল্লেখ কৰিছে। হৰিবৰ বিপ্ৰৰ ভাষা সম্বন্ধীয় আলোচনাত দিয়া নেওগৰ উদাহৰণবোৰ ভাষাতাত্ত্বিক বাণীকান্ত কাকতিয়ে চতুৰ্দশ শতিকাৰ পিছৰ হ'ব নোৱাৰে বুলি মত প্ৰকাশ কৰিছে। পণ্ডিতসকলৰ মতামতবোৰৰ আধাৰত ক'ব পাৰি যে দুৰ্লভ নাৰায়ণ ত্ৰয়োদশ শতিকাৰ শেষ নাইবা চতুৰ্দশ শতিকাৰ আদি ভাগৰ ৰজা আছিল। গতিকে হৰিবৰ বিপ্ৰয়ো এই কালডোখৰতে কাব্য ৰচনা কৰিছিল বুলি নিঃসন্দেহে ক'ব পাৰি। ৰচনাৰ বিষয়বস্তু, ভাষা আদি আভ্যন্তৰীণ প্ৰমাণৰ দ্বাৰাও কবিজনাৰ ৰচনাৰ সময় ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ বুলি অনুমান কৰিব পাৰি।

হৰিবৰ বিপ্ৰৰ তিনিওখন কাব্যৰ বিষয়বস্তু জৈমিনী ঋষি ৰচিত *মহাভাৰতৰ অশ্বমেধ পৰ্ব্ব* পৰা লোৱা হৈছে। তিনিওখন কাব্য অনুবাদমূলক। *বভ্ৰুবাহনৰ যুদ্ধ* আৰু *লৱ-কুশৰ যুদ্ধ* দুয়োখন কাব্যই পিতা-পুত্ৰৰ যুদ্ধৰ পৰৱৰ্তী ঘটনাংশ বৰ্ণিত হৈছে। এই কাব্য তিনিখনক সত্যেন্দ্ৰনাথ শৰ্মাই তৰুণ প্ৰশস্তিমূলক কাব্য আখ্যা দিছে, কাৰণ তিনিও-খনতে তৰুণৰ বিজয়গাথাঁ ঘোষিত হৈছে। *বভ্ৰুবাহনৰ যুদ্ধত* অৰ্জুনৰ লগত যুদ্ধ কৰি বভ্ৰুবাহন বিজয়ী হৈছে। *লৱ-কুশৰ যুদ্ধত* ৰামৰ সৈতে লৱ-কুশ বিজয়ী হৈছে; তেনেকৈ তাম্ৰধ্বজৰ যুদ্ধ কাব্যতো তাম্ৰধ্বজ বিজয়ী হৈছে।

"ৰামক জিনিলে যেন লৱ-কুশ শৰে/অৰ্জুনক জিনিলেক মণিপুৰেশ্বৰে/দুয়ো কথা শুনিবৰ মোৰ মন লাগে/তথাপিতো ৰাম কথা কহিয়োক আগে" —*লৱ-কুশৰ যুদ্ধ* কাব্যখনৰ এই লিখনিৰ দ্বাৰা অনুমান কৰিব পাৰি যে *বভ্ৰুবাহনৰ যুদ্ধ* ৰচনা কৰাৰ আগতে কবিয়ে *লৱ-কুশৰ যুদ্ধ* কাব্যখন ৰচনা কৰিছিল। *লৱ-কুশৰ যুদ্ধ* পুথিখনতকৈ *বভ্ৰুবাহনৰ যুদ্ধৰ* মাজেৰে প্ৰকাশ পোৱা কবিৰ কাব্য প্ৰতিভা বেছি পূৰঠ আৰু উচ্চমান-বিশিষ্ট বুলি ক'ব পাৰি। *তাম্ৰধ্বজৰ যুদ্ধখন* উক্ত কাব্য দুখনতকৈ পিছৰ ৰচনা হোৱা বাবে বেছি পূৰঠ হোৱা উচিত আছিল যদিও তেনে হোৱা নাই। মুঠতে *লৱ-কুশৰ যুদ্ধ, বভ্ৰুবাহনৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ* এই অনুক্ৰমে কাব্য কেইখন ৰচিত বুলি ধৰি ল'ব পাৰি।

জৈমিনীয় *অশ্বমেধ পৰ্ব্ব* ২৫শৰ পৰা ৩৬শ অধ্যায়ৰ ভিতৰত ৰাম অযোধ্যালৈ ঘূৰি অহাৰ পৰা লৱ-কুশৰ লগত হোৱা যুদ্ধ আৰু অযোধ্যাত অশ্বমেধ যজ্ঞ সম্পাদন কৰালৈ কাহিনীভাগ সন্নিৱিষ্ট হৈছে। মূলৰ ১২টা অধ্যায়ত সন্নিৱিষ্ট কাহিনীভাগেই হৰিবৰ বিপ্ৰই *লৱ-কুশৰ যুদ্ধ* কাব্যত বৰ্ণনা কৰিছে যদিও সীতা আৰু লৱ-কুশ অযোধ্যালৈ উভতি যোৱা, ৰামৰ যজ্ঞ সম্পাদন কৰা কথাখিনি উল্লেখ কৰা নাই।

মূলৰ আখ্যানটো অসমীয়ালৈ অনুবাদ কৰোঁতে কবিয়ে মূল কাহিনীৰ বিশেষ সালসলনি কৰা নাই। অৱশ্যে দেশ-কাল-পাত্ৰৰ উপযোগী কৰিবলৈ মূল আখ্যানৰ বৰ্ণনাৰ কিছু বঢ়া-টুটা নকৰাকৈ থকা নাই। বিশেষকৈ কোনো কোনো ঠাইত বৰ্ণনা ৰসাল আৰু প্ৰাঞ্জল কৰি তুলিবৰ বাবে মূলৰ চুটি বৰ্ণনা কিছু পৰিমাণে বিস্তৃত কৰিছে। উদাহৰণ স্বৰূপে, ভৰত আদিৰ পৰাজয়ৰ কথা শুনি ৰাম দুঃখিত আৰু বিস্মিত হোৱা মূলৰ দুশাৰী শ্লোকত শেষ কৰা বৰ্ণনাটো হৰিবৰ বিপ্ৰই কাব্যত কিছু বিস্তৃত ৰূপত দাঙি ধৰিছে। ইয়াৰ পিছৰ যুদ্ধ যাত্ৰাৰ বিৱৰণো কিছু বিস্তৃতভাৱে দিছে। লৱ-কুশই ৰামক ভৰ্ৎসনা কৰা বৰ্ণনাও বিস্তাৰিত ৰূপত দেখা যায়। আনহাতে, মূলৰ আখ্যানৰ বিকৃত নকৰাকৈ মূলৰ বিস্তৃত বিৱৰণ চমু কৰাৰ উদাহৰণো কাব্যখনত পোৱা যায়। উদাহৰণ স্বৰূপে, মূলৰ তেৰটা শ্লোকত বৰ্ণনা কৰা লৱ-কুশই বিপক্ষৰ বীৰসকলক আৰু তেওঁলোকৰ হাতী-ঘোঁৰা মাৰি শেষ কৰা, হাতীৰ কটা শুৱেৰে আকাশত নক্ষত্ৰ সৃষ্টি হোৱা আদি বিৱৰণ কাব্যখনত সম্পূৰ্ণ ৰূপে বাদ দিয়া হৈছে। সেই দৰে লৱ-কুশৰ চূড়াকৰণ, মুঞ্জী বন্ধন, উপনয়ন আদি সম্পাদন কৰা বৰ্ণনাও কবিয়ে বাদ দিছে। হৰিবৰ বিপ্ৰই *লৱ-কুশৰ যুদ্ধৰ* কাহিনী-ভাগ

অসমীয়া পাঠক-শ্রোতাৰ উপযোগী কৰি, আকর্ষণীয় কৰি তুলিবৰ বাবে কোনো কোনো ঠাইত নিজ কথাও সংযোগ কৰিছে। এই ক্ষেত্রত দেখা যায় যে সীতাৰ পুংসবন উৎসৱ অসমত প্রচলিত পুংসবন ক্রিয়াৰে প্রতিচ্ছবি। তদুপৰি, হনুমানে জাম্বুবন্তক ডিণ্ডিত ডোল লগাই সীতাৰ ওচৰলৈ নিয়া আদি বর্ণনা নিজাকৈ সংযোগ কৰি কবিয়ে কাব্যখন আকর্ষণীয় ৰূপত দাণ্ডি ধৰিব বিচাৰিছে।

বভ্রুবাহনৰ যুদ্ধ কবিৰ শ্রেষ্ঠ কাব্য বুলি ক'ব পাৰি। জৈমিনীয় *অশ্বমেধ পর্ব্ব* ১৪শ-৪০শ অধ্যায়ৰ কাহিনীৰে কাব্যখন ৰচনা কৰা হৈছে। যুধিষ্ঠিৰৰ অশ্বমেধ যজ্ঞৰ ঘোঁৰাৰ অনুসৰণত যাওঁতে অর্জুন কেনেকৈ মণিপুৰ নগৰত পৰিচয় নাজানি পুত্র বভ্রুবাহনৰ লগত যুদ্ধ কৰি মৃত্যুৰ মুখত পৰিল আৰু পুতেক বভ্রুবাহনে মাক চিত্রাঙ্গদা আৰু নাগ কন্যা উলুপী (অর্জুনৰ অন্যতম পত্নী)ৰ পৰামর্শ মতে পাতালৰ পৰা সঞ্জীৱনি মণি আনি বাপেকক পুনর্জীৱিত কৰিলে— মূলৰ এই বর্ণনাকে লৈ হৰিবৰ বিপ্রই *বভ্রুবাহনৰ যুদ্ধ* কাব্যখন ৰচনা কৰিছে। মূল কাহিনীক কবিয়ে প্রায় হুবহু অনুবাদ কৰিছে যদিও প্রয়োজন অনুসৰি মূলৰ কিছু সালসলনি কৰিছে। বিশেষকৈ কবিয়ে মূল আখ্যানক বিকৃত নকৰাকৈ বাদ দিব পৰা কথা পৰিহাৰ কৰিছে আৰু মূলত নথকা দুই-চাৰিটা কথাও মাজে মাজে সন্নিৰিষ্ট কৰি বর্ণনীয় বিষয়ত ৰহন সানিছে। মুঠতে গ্রহণ-বর্জন-সংক্ষিপ্তকৰণ-বিস্তৃতকৰণৰ দ্বাৰা কবিয়ে কাব্যৰ বর্ণনীয় বিষয়ক আকর্ষণীয় কৰি তুলিছে। উদাহৰণ স্বৰূপে, প্রদুম্ন্য আৰু বভ্রুবাহনৰ যুদ্ধত মৰা সৈন্য আদিৰ অঙ্গ-প্রত্যঙ্গ, তেজেৰে বীভৎস ৰূপ পোৱা ৰণক্ষেত্রৰ বিস্তৃত বর্ণনাৰ বহুখিনি বাদ দি কবিয়ে চমু কৰিছে। সেই দৰে মৃত-অর্ধমৃত বীৰক লৈ অশ্বসাসকলে কৰা আদি ৰসাত্মক বর্ণনা স্থান-কালৰ উপযোগী নহয় বাবে এইবোৰ কবিয়ে পৰিহাৰ কৰিছে। ইয়াৰ বিপৰীতে অর্জুনৰ দ্বাৰা অপমানিত হৈ বভ্রুবাহনে যুদ্ধৰ আয়োজন কৰা বর্ণনা মূলৰ তুলনাত কবিয়ে বিস্তাৰিত ৰূপত চিত্রিত কৰিছে। মৃত্যু সুনিশ্চিত বুলি জানি বৃষকেতুৰ আগত দুখ প্রকাশ কৰি কোৱা অর্জুনৰ কথাখিনিত কবিয়ে কল্পনাৰ ৰহন সনা দেখা যায়। মূলতঃ মাত্র দুশাৰী পদৰ মাজেৰে বর্ণনা কৰা মণিপুৰ নগৰৰ ৰণ জয়ৰ উৎসৱৰ বিৱৰণটো কবিয়ে এই কাব্যখনত কিছু বিস্তাৰিতভাৱে বর্ণনা কৰিছে। তদুপৰি, অর্জুনক বভ্রুবাহনে ৰণাহ্বান জনাই কোৱা কথা, অর্দ্ধচন্দ্র বান নিক্ষেপ কৰা দেখি অর্জুনে কৃষ্ণক স্মৰণ কৰি কোৱা কথা আদি কবিয়ে কাল্পনিক ৰহনেৰে আকর্ষণীয় কৰি তুলিছে। অৱশ্যে অন্যান্য ক্ষেত্রত কবিয়ে মূলৰ যিখিনি কথা হুবহু অনুবাদ কৰিছে সেইখিনি সাৱলীল আৰু স্বচ্ছন্দ ৰূপত প্রকাশ কৰিছে।

হৰিবৰ বিপ্রৰ *তাম্রধ্বজৰ যুদ্ধ* কাব্যখন মূল জৈমিনীয় *মহাভাৰতৰ অশ্বমেধ পর্ব্ব* ৪১শ-৪৬শ অধ্যায়ৰ কাহিনীৰ ওপৰত আধাৰিত। 'বাণপুৰৰ ৰজা ময়ুৰধ্বজ আৰু তেওঁৰ পুত্র তাম্রধ্বজৰ লগত যজ্ঞৰ ঘোঁৰা ৰক্ষাকাৰী পাণ্ডৱ সকলৰ সংঘর্ষ' —বভ্রুবাহনৰ যুদ্ধৰ পৰৱর্তী এই ঘটনাংশ কাব্যখনত বর্ণিত হৈছে।বভ্রুবাহনৰ লগত হোৱা যুদ্ধৰ পাছত মণিপুৰৰ পৰা যজ্ঞৰ ঘোঁৰা লৈ কৃষ্ণার্জুন ময়ুৰধ্বজ ৰজাৰ বাণপুৰ নগৰত প্রৱেশ কৰে।

ৰজা ময়ুৰধ্বজেও অশ্বমেধ যজ্ঞ কৰি ঘোঁৰা এৰি দিছে, সেই ঘোঁৰাৰ অনুসৰণ কৰি গৈছে পুত্ৰ তাম্ৰধ্বজে। দুয়োপক্ষৰ ঘোঁৰাৰ ভেটা ভেটি হোৱাত যি যুদ্ধ আৰম্ভ হয় তাত তাম্ৰধ্বজে বীৰত্ব দেখুৱায়। যুদ্ধত পাণ্ডৱ পক্ষ পৰাজিত হয় যদিও শেষত কৃষ্ণ আৰু অৰ্জুনে ছল-কৌশলৰ মাজেদি যুধিষ্ঠিৰৰ ঘোঁৰা মুকলি কৰিবলৈ সক্ষম হয়।

তাম্ৰধ্বজৰ যুদ্ধৰ উক্ত কথাবস্তুখিনি ৰূপায়ণ কৰোঁতে কবিয়ে মূল কাহিনীৰ বিশেষ সালসলনি কৰা নাই। অৱশ্যে মূলৰ ময়ুৰধ্বজৰ নগৰৰ 'ৰত্ননগৰ' নামটো কবিয়ে 'বাণপুৰ' কৰিছে। মূলত তাম্ৰধ্বজৰ নাম ঠায়ে ঠায়ে 'সুচিত্ৰ' বুলিও আছে। কবি হৰিবৰ বিপ্ৰই অৱশ্যে এই নাম ব্যৱহাৰ কৰা নাই। মূলত মন্ত্ৰীৰ 'বহুলধ্বজ' নামটি কবিয়ে 'বংশধ্বজ' বুলিহে ব্যৱহাৰ কৰিছে। অনিৰুদ্ধ, বৃষকেতু, বভ্ৰুবাহন আদিৰ লগত তাম্ৰধ্বজৰ যুদ্ধৰ বৰ্ণনাংশ মূলৰ অনুৰূপ যদিও ঠাই বিশেষে কবিয়ে কিছু বিস্তৃত আৰু নিজা কথা সংযোগ কৰি কাব্যখন আকৰ্ষণীয় কৰি তুলিবৰ চেষ্টা কৰিছে। এইদৰে, হৰিবৰ বিপ্ৰই মূল *মহাভাৰতৰ* আখ্যানবস্তুৰ সামান্য সালসলনি কৰিছে যদিও বাকীখিনি বৰ্ণনা মূলানুগ। মুঠতে কবিৰ তিনিওখন কাব্যৰ অনুবাদ অতি উচ্চ খাপৰ। ইয়ে কবিৰ মৌলিক প্ৰতিভাৰ সম্যক পৰিচয় দিয়ে।

হৰিবৰ বিপ্ৰৰ তিনিওখন কাব্যৰ সাহিত্যিক সৌন্দৰ্য্য ভাষা আদিৰ বিচাৰ-বিশ্লেষণৰ দ্বাৰাও কবিজনাৰ কাব্য প্ৰতিভাৰ পৰিচয় পোৱা যায়। কবিয়ে তিনিওখন কাব্যতে উপমা, ৰূপক আদি বিভিন্ন অলঙ্কাৰ প্ৰয়োগ কৰি কাব্যৰ জনপ্ৰিয়তা বৃদ্ধিৰ লগতে বিষয়বস্তুক প্ৰাঞ্জল আৰু মনোগ্ৰাহী কৰি তুলিছে। যেনে—

- *যেনমতে পকা আম জোকাৰি পেলায়।*
  সেহিমতে ৰিপুসেনা মাৰিবো নিশ্চয়।। *(লৱ-কুশৰ যুদ্ধ)*
- *বালিত নৰহে যেন অল্প বৃষ্টিৰ জল।* („)
- *যেন পানী খোজন্তে দধিক দিলা বিধি।* *(তাম্ৰধ্বজ যুদ্ধ)*
- *হস্তীৰ আগত যেন কদলীৰ পখা।* („)
- *আগে যেন মনুষ্যে লৰড়ে খৰতৰি।*
  ছাগ বুলি বাঘৰ গলত আছে ধৰি।।
  মনুষ্যে এড়ন্তে গলৰ নেৰে বাঘে।
  তোৰ মোৰ পটন্তৰ সেহিমতে লাগে।। *(বভ্ৰুবাহনৰ যুদ্ধ)*
- *হৃদয়ত পৰি বীৰে দুই হাতে আটে।*
  বলৱন্ত নাৰী যেন বেসুৰাৰ বাটে।। („)

কাব্য কেইখনৰ বেছিভাগ কথাৰ বৰ্ণনাত হৰিবৰ বিপ্ৰই পদছন্দকে প্ৰয়োগ কৰিছে যদিও দুই-এঠাইত দুলড়ী, ছবি আৰু ঝুমুৰী ছন্দৰো প্ৰয়োগ দেখা যায়। বিশেষকৈ *বভ্ৰুবাহনৰ যুদ্ধত* অৰ্জুনৰ খেদ, *লৱ-কুশৰ যুদ্ধত* ৰামৰ খেদ আৰু সীতাৰ বিলাপ বৰ্ণনাত মাত্ৰ ছবি

ছন্দ ব্যৱহাৰ কৰিছে। *বভ্রুবাহনৰ যুদ্ধত* যুদ্ধৰ বাবে সাজু হোৱা বৰ্ণনাৰ এঠাইত মাত্র ঝুমুৰী ছন্দ প্রয়োগ কৰিছে। *তাম্রধ্বজৰ যুদ্ধত* পদছন্দৰ বাহিৰে অন্য ছন্দৰ ব্যৱহাৰ নাই।

হৰিবৰ বিপ্রই ফকৰা-যোজনা, প্রবাদ-পটন্তৰযুক্ত ভাষা প্রয়োগ কৰিও কাব্যৰ বিভিন্ন ঠাইত সূক্ষ্ম অর্থ প্রকাশ কৰিছে। উদাহৰণ—

- *হস্তীৰো পিছলে পাৱ/সুজানে বুড়াৱে নাৱ* *(বভ্রুবাহনৰ যুদ্ধ)*
- *হস্তী গুচি মাখি ভৈলো গো খোজতে তল গৈলো*
  কচুত ভাঙ্গিল যেন কাছি („)
- *সোণা এৰি দিলি তই সনিয়াত গাস্থি* *(তাম্রধ্বজৰ যুদ্ধ)*
- *দোলাত যিজনে যায় উজনি কি ভাটী* („)
- *পাঞ্চে কি কৰিব পাৰে মূধ-উৰুষন্তে* *(লৱ-কুশৰ যুদ্ধ)*
- *ফৰিঙ্গাৰ ঝাস আসে মৰিবাক নাই* („)

সকলো প্রকাৰৰ ভাব-অনুভূতি আৰু কল্পনা প্রকাশৰ বাবে হৰিবৰ বিপ্রৰ ভাষা অতি শক্তিশালী। উৱাৰি, বাপুতৰ, নোগোকা, ওছাই, পছাৰ, বজান্ত, ধাৰ দিলোঁ আদি ভালেমান প্রাচীন আৰু অধুনা প্রচলিত শব্দ কাব্য কেইখনত পোৱা যায়। অপাদান অর্থত ধৰি, এ-ৰ (পুত্রবতে শিশু ধৰি, হস্তী স্কন্ধে নামি) ব্যৱহাৰ, কর্তৃকাৰকত 'এ' বিভক্তিৰ যোগত আ-কাৰান্ত, ই-কাৰান্ত শব্দৰ সংযোজন আদি অসমীয়া ভাষাৰ প্রাচীনতাৰ লক্ষণ দেখা যায়। অতীত কৃদন্ত পদ বুজাবলৈ 'ইব' প্রত্যয়ৰ ব্যৱহাৰ আৰু স্বার্থিক অনুসর্গ হিচাপে 'এৰ'-ৰ ব্যৱহাৰ প্রাক্-শঙ্কৰী যুগৰ ভাষাৰ এই লক্ষণ হৰিবৰ বিপ্রৰ কাব্য কেইখনতো দেখা যায়। যেনে— 'পাসৰিবাৰ-অস্ত্র' *(বভ্রুবাহনৰ যুদ্ধ)*; 'হৰাইবাৰ মুণ্ড' *(বভ্রুবাহনৰ যুদ্ধ)*; 'শিখিবাৰ শৰ' *(তাম্রধ্বজৰ যুদ্ধ)*; 'খুজি এৰোঁ' *(তাম্রধ্বজৰ যুদ্ধ)* ইত্যাদি।


বভ্রুবাহনৰ যুদ্ধত মণিপুৰৰ ৰাজসভাৰ বিৱৰণ,গঙ্গাৰ পাৰৰ প্রাকৃতিক দৃশ্য আদিৰ বর্ণনাত অসমৰ গছ-গছনি, ফল-ফুল, চৰাই-চিৰিকটিৰ প্রতিচ্ছবি পোৱা যায়। প্রাচীন অসমৰ সামাজিক ৰীতি-নীতি, লোকাচাৰ, লোকবিশ্বাস আদিৰ সুপ্রয়োগেও কাব্যখনৰ বর্ণনীয় বিষয় আকর্ষণীয় কৰি তুলিছে। উদাহৰণ স্বৰূপে, *লৱ-কুশৰ যুদ্ধত* সীতাৰ পুংসবন উৎসৱ, *বভ্রুবাহনৰ যুদ্ধত* মণিপুৰত ৰণজয়ৰ উৎসৱ, অর্জুনৰ মূৰৰ ওপৰত শগুন উৰা, *লৱ-কুশৰ যুদ্ধ* কাব্যত সীতাৰ বাঁও চকু লৰা, ৰামৰ সেনাৰ ওপৰত শগুন উৰা আদি বিভিন্ন জনবিশ্বাসৰ কথাও কাব্য কেইখনত দেখিবলৈ পোৱা যায়।

মুঠতে প্রাক্-শঙ্কৰী যুগৰ সাহিত্যৰ ইতিহাসত সংস্কৃত কাব্যৰ অনুবাদক হিচাপে হৰিবৰ বিপ্রৰ এখন বিশিষ্ট আসন আছে। বিষয়বস্তুৰ ৰূপায়ণ, উচ্চ বর্ণনা শক্তি, উপযুক্ত ভাষা প্রয়োগ, বিবিধ অলঙ্কাৰৰ সংযোগ আদি বিভিন্ন দিশত বিচাৰ-বিশ্লেষণ কৰি প্রাক্-শঙ্কৰী যুগৰ শ্রেষ্ঠ কবি মাধৱ কন্দলি পিছতেই হৰিবৰ বিপ্রৰ স্থান নির্ণয় কৰিব পাৰি।



জানি থোৱা ভাল

সাধাৰণতে বীৰকাব্যৰ কাহিনীৰ মূল সুঁতি বীৰত্বব্যঞ্জক। এই শ্রেণীৰ কাব্যত আধ্যাত্মিক তত্ত্বকথাৰ পৰিৱর্তে লৌকিক ভাৱাপন্ন কথা আৰু কল্পনাই প্রাধান্য লাভ কৰে। যুদ্ধ-বিগ্রহৰ বর্ণনা থকা বাবে ইয়াত বীৰ, বীভৎস, ভয়ানক, কৰুণ আদি ৰসৰ সমাৱেশ ঘটা দেখা যায়।এই আটাইবোৰ বৈশিষ্ট্য হৰিবৰ বিপ্রৰ কাব্যত দেখা যায় বাবে তেওঁৰ কাব্য বীৰকাব্য শ্রেণীৰ অন্তর্গত আৰু তেৱেঁই অসমীয়া সাহিত্যৰ প্রথম বীৰকাব্যৰ ৰচক বুলি হৰিনাথ শর্মা দলৈয়ে *অসমীয়া সাহিত্যৰ পূর্ণ ইতিহাস* গ্রন্থত উল্লেখ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ হৰিবৰ বিপ্রৰ পৰিচয় দি তেওঁৰ কাব্যকৃতিৰ আভাস দিয়ক। (২৫০টা শব্দৰ ভিতৰত লিখক।)

৫.৩.৪ মাধৱ কন্দলি

ৰামায়ণৰ পদানুবাদক হিচাপে মাধৱ কন্দলিয়ে প্রাক্-শঙ্কৰী যুগৰ শ্রেষ্ঠ কবি বুলি স্বীকৃতি পাইছে। অকল এয়াই নহয়, পুৰণি অসমীয়া সাহিত্যৰ আগশাৰীৰ সাহিত্যিক সকলৰ লগতহে মাধৱ কন্দলি স্থান পাবৰ যোগ্য। অসমীয়া সাহিত্যৰ ইতিহাসত যুগ প্রৱর্তক শঙ্কৰদেৱে তেওঁক 'অপ্রমাদী কবি' বুলি কৰা উল্লেখে কবিজনাৰ কাব্যিক প্রতিভাৰ শ্রেষ্ঠতাকে সূচায়। এই প্রসঙ্গত উত্তাৰ কাণ্ডৰ পদ ভাঙনিত শঙ্কৰদেৱে লিখিছে—

"পূর্বকবি অপ্রমাদী মাধৱ কন্দলি আদি
তেহে বিৰচিলা পদে ৰাম কথা
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মার্গ
মোৰ হৈল তেহ্নয় অৱস্থা।"

ডিম্বেশ্বৰ নেওগে মাধৱ কন্দলিক শঙ্কৰদেৱৰ সুযোগ্য পূর্বৱর্তী বুলি অভিহিত কৰিছে।

কন্দলিয়ে মূল সংস্কৃত *ৰামায়ণৰ* আধাৰত *ৰামায়ণৰ* অসমীয়া ভাঙনি কৰিছিল। বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধক্রমে সর্বসাধাৰণ লোকে জনাৰ বাবে *ৰামায়ণ* মহাকাব্য পদবন্ধে চমুকৈ অনুবাদ কৰিছিল বুলি মাধৱ কন্দলিৰ আত্মপৰিচয়ৰ পৰা জানিব পাৰি। এইজন বৰাহী ৰজাৰ স্থান-কাল সম্বন্ধে সমালোচক পণ্ডিতসকলৰ মাজত মতভেদ আছে। বিশেষকৈ এইজন বৰাহী ৰজা অর্থাৎ মহামাণিক্যৰ প্রসঙ্গত জয়ন্তীয়া, ত্রিপুৰা, কছাৰী আদি সেই যুগৰ ভিন্ ভিন্ ৰজাৰ কথা সমালোচকসকলে উল্লেখ কৰিছে। মাধৱ কন্দলি

ৰামায়ণৰ প্ৰথম সম্পাদক মাধৱ চন্দ্ৰ ৰৱদলৈৰ মতে বৰ্তমানৰ নগাঁও জিলালৈ বিস্তৃত জয়ন্তাপুৰত ১২শৰ পৰা ১৪শ শতিকাৰ ভিতৰত ৰৱাহী বুলি পৰিচয় দিয়া কছাৰী ৰাজবংশই ৰাজত্ব কৰিছিল। মহামাণিক্য এই কছাৰী ৰাজবংশৰেই ৰজা বুলি তেওঁ মত প্ৰকাশ কৰিছে। তেওঁৰ ৰাজত্বকাল আনুমানিক ১৪শ শতিকাৰ আগভাগ। সত্যেন্দ্ৰনাথ শৰ্মা, কালিৰাম মেধি, বাণীকান্ত কাকতি, পণ্ডিত হেমচন্দ্ৰ গোস্বামী, বেণুধৰ শৰ্মা আদিয়ে মহামাণিক্য আৰু তেওঁৰ লগত মাধৱ কন্দলিৰ সম্বন্ধৰ বিষয়ে আগবঢ়োৱা যুক্তিবোৰ চালি-জাৰি চাই ক'ব পাৰি যে মাধৱ কন্দলি চতুৰ্দশ শতিকাৰ প্ৰাচীন অসমৰ পূব মধ্যাঞ্চলৰ অধিপতি ৰৱাহী ৰজা মহামাণিক্যৰ সভাকবি আছিল। গতিকে মহামাণিক্যৰ ৰাজত্বৰ এই সময়ছোৱাই কন্দলিৰ সাহিত্য সৃষ্টিৰ সময়।

মূল সংস্কৃত *ৰামায়ণৰ* গৌড়ীয় পাঠৰ আধাৰত কন্দলিয়ে *ৰামায়ণৰ* অনুবাদ কৰিছে। হিন্দী সাহিত্যিক তুলসী দাস বা বঙালী কবি কৃত্তিবাসৰ দৰে কোনো প্ৰক্ষিপ্ত কাহিনী কন্দলি *ৰামায়ণত* অন্তৰ্ভুক্ত হোৱা নাই। কন্দলিয়ে তেওঁৰ *ৰামায়ণত* "সাতকাণ্ড ৰামায়ণ পদবন্ধে নিৱন্ধিলো, লঙ্কা পৰিহৰি সাৰোদ্ধৃতে" বুলি উল্লেখ কৰিছে যদিও মাজৰ পাঁচকাণ্ড তেওঁৰ দ্বাৰা বিৰচিত। আদি আৰু *উত্তৰাকাণ্ড* যথাক্ৰমে মাধৱদেৱ আৰু শঙ্কৰদেৱে সংযোগ কৰি কাব্যখন সম্পূৰ্ণ কৰিছে।

মাধৱ কন্দলিয়ে বাল্মীকিৰ বৰ্ণনাৰে অবিকৃতভাৱে চমুকৈ অসমীয়াত ৰূপ দিছে। কন্দলি *ৰামায়ণৰ* অনুবাদ ৰীতি কবিজনাই কৈ যোৱা কথাৰ পৰাই স্পষ্ট হৈ পৰে—

"সাতকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো
লঙ্কা পৰিহৰি সৰোদ্ধৃতে।" (লঙ্কাকাণ্ড)

* * * * * * * * * * * * * * *

"বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য-পদ্য ছন্দে
তাহাক বিচাৰ আমি কৰিয়া প্ৰৱন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ যেমতে বুজিলোঁ।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ।
সমস্ত ৰসক কোনে জানিবাক পাৰে।
পক্ষীসৱ উৰয় যেন পখা অনুসাৰে।।
কবিসব নিবন্ধয় লোক ব্যৱহাৰে।
কতো নিজ কতো লঙ্কা কথা অনুসাৰে
দেৱবাণী নুহি ইটো লৌকিকহে কথা।
এতকে ইহাৰ দোষ নলবা সৰ্ব্বথা।।" (কিষ্কন্ধা কাণ্ড)

এই পদ কেইটাৰ পৰা জানিব পাৰি যে 'লঙ্কা পৰিহৰি সাৰোদ্ধৃতে' এইটোৱে হ'ল কন্দলিৰ অনুবাদৰ মূল নীতি। কিন্তু সংক্ষিপ্ত কৰিলেও মূলৰ প্ৰধান আৰু প্ৰয়োজনীয় ঘটনা কবিয়ে বাদ দিয়া নাই। আখ্যান, ঘটনা পৰম্পৰা, পৰিৱেশৰ সৌন্দৰ্য্য অটুট ৰাখিবলৈ

প্রয়োজনীয় বা অপৰিহার্য বর্ণনাখিনি কন্দলিয়ে অনুবাদত ৰক্ষা কৰিছে। অনুবাদ কৰোঁতে কন্দলিয়ে সৌন্দর্য্য আৰু পাঠকৰ ৰুচি —এই দুয়োটা কথালৈ দৃষ্টি ৰাখিছে। সাধাৰণতে জনসাধাৰণক উদ্দেশ্য কৰি তেওঁলোকৰ ৰুচিসম্মত কৰি কবিসকলে কাব্য ৰচনা কৰে। মাধৱ কন্দলিয়ে তাকে কৰিবলৈ যাওঁতে মূলৰ কথাত যোগ-বিয়োগ কৰিছে আৰু লোক-ৰুচি অনুযায়ী নিজা কথাও দুই-এটি সংযোগ কৰিছে।

কন্দলি ৰামায়ণ বাল্মীকি *ৰামায়ণ*ৰ অনুবাদ হ'লেও ইয়াত কবিয়ে মূলৰ কথা যোগ-বিয়োগ কৰি স্বকীয় মৌলিক প্রতিভাৰ পৰিচয় দিছে। ঘটনা পৰম্পৰা বিন্যাস আৰু প্রকাশত বাল্মীকিক অনুসৰণ কৰা হৈছে যদিও মূলৰ কাহিনীভাগ বিকৃত নকৰাকৈ স্থানীয় ৰহন সনা বর্ণনা সংযোগ কৰি কবিয়ে কলাসুলভ দক্ষতাৰ পৰিচয় দিছে। বাল্মীকিৰ কাব্যিক সৌন্দর্য্য আৰু উচ্চ আদর্শ অসমীয়া শ্রোতা-পাঠকৰ উপলব্ধিৰ সাহার্য্যত কন্দলি *ৰামায়ণ*ৰ ঠায়ে ঠায়ে লৌকিক তথা জনবিনোদনমূলক কথা সংযোগ কৰা বুলি সত্যেন্দ্রনাথ শর্মাই উল্লেখ কৰিছে। উদাহৰণ স্বৰূপে, ভৰতে মোমায়েকৰ ঘৰৰ পৰা উলটি অহাৰ পিছত কুঁজীয়ে ভৰতৰ আগত সাজ-পোছাক, আ-অলঙ্কাৰ পিন্ধি লাহ-বিলাহ কৰি উপস্থিত হোৱা বর্ণনাটো মূলত আছে যদিও তাই গুপুতে পটেশ্বৰী হ'বলৈ হাবিয়াস কৰা কথাটো কন্দলিৰ নিজস্ব সংযোজন। কুঁজী মন্থৰাৰ এনে কার্য ৰুচিবিগর্হিত বা অস্বাভাৰিক যদিও জনগণৰ মনত হাস্যৰসৰ সৃষ্টি কৰিবলৈহে এনে বর্ণনা সংযোগ কৰিছে। হাস্যৰসৰ উপৰি স্থান আৰু পৰিৱেশ ভেদে বীৰ, বিভৎস, কৰুণ ৰস সৃষ্টিৰ ক্ষেত্রতো কবিৰ মৌলিকতা দেখিবলৈ পোৱা যায়।

নৈসর্গিক সৌন্দর্য্যকে ধৰি ভিন্ ভিন্ সৌন্দর্য্য বা পৰিৱেশৰ চিত্রণ কবিয়ে সমকালীন অসমৰ পৰিৱেশ-পৰিস্থিতিৰ লগত সঙ্গতি ৰাখিহে চিত্রিত কৰিছে। ফলত অসমীয়া পাঠক-শ্রোতাৰ বাবে বর্ণনীয় বিষয়ৰ লগত আত্মীয়তা স্থাপন কৰিবলৈ সহজ হৈছে। এই প্রসঙ্গত উল্লেখযোগ্য যে কন্দলিয়ে মূলতকৈ কিছু বিস্তৃত ৰূপত চিত্রকূটৰ নৈসর্গিক বর্ণনাখিনি অসমৰ প্রাকৃতিক পৰিৱেশৰ অন্তর্গত কৰি মনোৰমকৈ দাঙি ধৰিছে। যেনে—

"দেখা দেখা জানকী হৰিষ কৰি মন।
ফলমূল মুকুত বিবিধ তৰু বন।।
জাই-জুতি বকুল বন্দুলি কর্ণিকাৰ।
কাঞ্চন তগৰ কুন্দ শেৱালি মদাৰ।।
অশোক পলাশ ফুলি গৈলা হিসাহিসি।
নাগেশ্বৰ চম্পক ফুলিল অহর্নিশি।।"

ঠিক সেইদৰে লঙ্কাত প্রৱেশ কৰি হনুমানে কি কি দেখিলে আৰু শুনিলে তাৰ বর্ণনাৰ অনুবাদ অংশ কন্দলিৰ সমকালীন অসমৰ প্রাকৃতিক পৰিৱেশৰ অন্তর্গত আৰু অসমীয়া সাজেৰে সজাই তুলিছে। ইয়াত বর্ণিত চৰাইবোৰ অসমৰ চৰাই আৰু ৰাক্ষস-বিলাকে খেলি থকা খেলবোৰ অসমৰ জনসাধাৰণৰ খেল। উদাহৰণ—

সুৱর্ণৰ হংস লাড়ু আলি চক্রবাক।
সুৱর্ণৰ শৰালি উৰয় জাকে জাক।।
সুৱর্ণৰ ময়না-ভাটৌ চুটিয়া শালিকা।
* * * * * * * * * * * * * * *
* * * * * * * * * * * * * * *
ৰঙ্গথানে কৌতুহলে ৰাক্ষস মিলিলা।
কৌতুহলে খেলাৱয় সুৱর্ণৰ ঘিলা।।
ভণ্টা খেড়ি খেলাৱয় কতো খেলৈ ঝণ্টি।
ঠাৱে ঠাৱে ক্রীড়া কৰে আকুটি ভ্রূকুটি।।
ঢোপ খেড়ি খেলাৱয় কতো খেলে লুনি।
গুৱাল গুৱালী খেলে সুললিত শুনি।।

খেল-ধেমালিৰ উপৰি সাজ-পোছাক, আ-অলঙ্কাৰ, উৎসৱ-পার্বণ আদিও অসমীয়া সমাজৰ অনুৰূপে কবিয়ে বর্ণনা কৰিছে।

ৰামায়ণৰ অনুবাদৰ দ্বাৰা কন্দলিয়ে অসমৰ কথ্য ভাষাক কাব্যৰ ভাষা ৰূপে সুপ্রতিষ্ঠিত কৰিলে। শব্দচয়ন আৰু শব্দ প্রয়োগৰ কৌশল মাধৱ কন্দলিৰ *ৰামায়ণৰ* বৈশিষ্ট্য। কন্দলি *ৰামায়ণৰ* মূল আধাৰ গ্রন্থ সংস্কৃত যদিও সংস্কৃত শব্দৰ প্রাচুর্য্যই থলুৱা ভাষাৰ মাধুর্য্য হানি কৰা নাই। কন্দলিয়ে তৎসম শব্দৰ লগতে অসমীয়া তদ্ভৱ, অর্ধ-তৎসম আৰু দেশী শব্দৰ সুকৌশল প্রয়োগৰ দ্বাৰা এটি শক্তিশালী সৌষ্ঠৱপূর্ণ ৰচনাশৈলী সৃষ্টি কৰিলে।

কন্দলিয়ে শব্দ সম্ভাৰৰ উপৰি জতুৱা ঠাঁচ, প্রবাদ-প্রবচনৰ সুপ্রয়োগৰ দ্বাৰা বর্ণনীয় বিষয় প্রভাৱশালী কৰি তোলাৰ লগতে অসমীয়া ভাষাকো উচ্চ স্তৰলৈ উন্নীত কৰিলে। এই ভাষা-সাহিত্যশৈলীকে পৰৱর্তী বৈষ্ণৱ কবিসকলে গ্রহণ কৰি অসমীয়া ভাষা-সাহিত্যক মহিমামণ্ডিত আৰু জাকত-জিলিকা কৰি থৈ গ'ল। মূল সংস্কৃত গ্রন্থৰ অনুবাদ হ'লেও অসমীয়া লোকোক্তি, যোজনা-পটন্তৰৰ ব্যৱহাৰে কন্দলি ৰামায়ণ অসমৰ জনসাধাৰণৰ আপোন কৰি তুলিছে। উদাহৰণ স্বৰূপে 'আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ', 'টীপছিৰ বাৱে মেৰু পর্বত উৰিল', 'তুনি সাপে সব নাগপুৰীক গিলিল', 'ৰৱশীয়া ৰাৱণৰ পুঙাতেসে দৃষ্টি', 'তুলা নিবে নোৱাৰয় ভাৰ বান্ধে শিলে', 'কাংস পৰি জিস গৈলা সকলে বানৰ' আদি ঘৰুৱা কথাৰ সংযোগে ৰামৰ আখ্যান অসমীয়াৰ বাবে আপোন কৰি তুলিছে।

অলঙ্কাৰ প্রয়োগৰ ক্ষেত্রত কন্দলি সিদ্ধহস্ত। বিবিধ অলঙ্কাৰ যথাযোগ্য প্রয়োগেৰে কবিয়ে *ৰামায়ণৰ* কাব্যিক মূল্য বৃদ্ধি কৰিছে। অলঙ্কাৰসমূহৰ কিছুমান মূল গ্রন্থৰ অনুবাদ, কিছুমান স্থানীয় ভাষাৰ আৰু কিছুমান কবিৰ নিজা সৃষ্টি। এই ক্ষেত্রত দেখা যায় যে সীতাৰ বিৰহ-বিধুৰা অৱস্থাৰ বর্ণনা মূলৰ মনোৰম উপমাৰ ভিত্তিত সুন্দৰকৈ ফুটাই তোলাত কন্দলি সফল হৈছে—

"মেঘে যেন ঢাকি আছে সর্বোত্তম তাৰা
কেশে যেন ঢাকি আছে চম্পক মল্লিকা
ভস্মে যেন ঢাকি আছে অগণিৰ শিখা।"

অর্থালঙ্কাৰৰ ক্ষেত্রত মূলৰ দ্বাৰা অনুপ্রাণিত হ'লেও যমক, অনুপ্রাস আদি শব্দালঙ্কাৰ প্রয়োগত কন্দলিৰ স্বকীয় বৈশিষ্ট্য দেখা যায়। ৰামৰ প্রত্যাগমনৰ অর্থে সুসজ্জিত কৰা অযোধ্যাৰ বর্ণনাত আছে—

"সাঞ্জি মাঞ্জি পদুলি পদুলি ৰুইলা কল।
ৰত্নদীপ দিলা সুৱর্ণৰ ঘটে জল।।
লৱঙ্গ মালতী মালা সুগন্ধক কহে।
সুৰভি শীতল অনুকূল বায়ু বহে।।"

ছন্দ প্রযোগৰ দিশেৰে বিচাৰ কৰিলে দেখা যায় যে কন্দলিৰ *ৰামায়ণ* ৰচনাত পদ ছন্দ প্রধানভাৱে প্রয়োগ কৰিছে যদিও দুলড়ী আৰু ছবি ছন্দৰ প্রয়োগো দেখা যায়। বিষয়বস্তু অনুসৰি কোনো কোনো ঠাইত ঝুমুৰী ছন্দও ব্যৱহাৰ কৰিছে। সুগ্রীবৰ মুখত দিয়া ৰাৱণৰ দ্বাৰা অপহৃতা সীতাৰ বর্ণনাত ঝুমুৰী ছন্দ ব্যৱহাৰ কৰিছে। এই বর্ণনাত সুগ্রীবৰ ব্যগ্রতা, অপহৃতা সীতাৰ থমকি থমকি উঠা উচুপনি, প্রিয়তমাৰ সম্ভেদ নোপোৱা ৰামৰ অস্থিৰ অৱস্থা সুন্দৰকৈ ব্যঞ্জিত হৈছে—

"আকাশৰ পথে যান্তি। দশদিশে নিহালন্তি।।
ভয়ে অতি চমকন্তি। ক্রন্দন কৰিয়া যান্তি।।
লক্ষ্মণক সুমৰন্তি। ৰাম ৰাম উচ্চৰন্তি।।"

তদ্রূপ বালী সুগ্রীবৰ যুদ্ধ বর্ণনাংশৰো ঝুমুৰি ছন্দৰ সার্থক প্রয়োগ কৰা দেখা যায়—

"এহিমতে বীৰ দুই। যুজে একপিণ্ড হুই।।
শৰীৰত উঠে জুই। বলে দুই ক্ষীণ নুই।।
বাহ বাহ বান্ধিলন্ত। পাৱে পাৱে ছান্দিলন্ত।।"

বালিৰ হাতত পৰাজিত সুগ্রীৱে ৰামৰ প্রতি যি কথা কৈছিল সেইটো ছবি ছন্দত নিবন্ধ। মুঠতে কন্দলিৰ কাব্যৰ মাজেৰে কবিজনাৰ ছন্দ প্রয়োগৰ পাৰদর্শিতা সুন্দৰ ৰূপত প্রকাশিত হৈছে।

অনুবাদমূলক হ'লেও কন্দলি *ৰামায়ণত* চতুর্দশ শতিকাৰ অসমীয়া সমাজৰ বহুখিনি চিত্র প্রতিফলিত হৈছে।ৰামক বনৰ পৰা ওভতাই আনিবলৈ ভৰতৰ লগত যোৱা প্রজাসকলৰ বিৱৰণৰ পৰা তৎকালীন অসমীয়া সমাজত প্রচলিত বিভিন্ন বর্ণ, উপবর্ণ, বৃত্তি আদিৰ বিষয়ে জানিব পৰা যায়। এই ক্ষেত্রত ক্ষত্রীয়, বৈশ্য, কায়স্থ, নট-ভাট, তেলী, তান্তী, বনিয়া, চমাৰ, কমাৰ, সূতাৰ, ধোৱা, কুম্ভকাৰ, চণ্ডাল আদিৰ কথা উল্লেখ কৰিব পাৰি।

কন্দলি *ৰামায়ণৰ* বিভিন্ন বর্ণনাৰ মাজেৰে অসমৰ কৃষিভিত্তিক সমাজখনৰ পৰিচয় পাব পাৰি। উদাহৰণ স্বৰূপে, 'খৰ লগা ধান যেন বৰিষণ জলে', 'বোঝাৰ ওপৰে যেন শাক পটন্তৰ', 'বিচিধান ৰুইলো যেন উখৰা ভূমিত', 'ষাণ্ডে ধান খাইলে তাতিৰ কাটেৰাটি' আদি উপমা, অলঙ্কাৰৰ মাজেৰে তৎকালীন অসমৰ কৃষিভিত্তিক সমাজখনৰ আভাস পোৱা যায়।

মাধৱ কন্দলিয়ে সমসাময়িক অসমীয়া হিন্দু সমাজত প্রচলিত কেতবোৰ আচাৰ-অনুষ্ঠানৰ বর্ণনাও ৰামায়ণত দাঙি ধৰিছে। এই প্রসঙ্গত দশৰথ, বালী আৰু ৰাৱণৰ অন্ত্যোষ্টিক্রিয়া বর্ণনাৰ কথা উল্লেখ কৰিব পাৰি। যেনে—

দশৰথৰ শ্রাদ্ধৰ প্রসঙ্গত—

"দশপিণ্ড দিলন্ত আৱৰ দশকর্ম।
ত্রিদশা কৰিলা যতেক কুল কর্ম।
একাদশ দোৱাদশ শ্রাদ্ধ নিবর্তিল।
নানাবিধ দান পাছে ব্রাহ্মণক দিল।।"

বালীৰ অন্ত্যোষ্টি কার্যত—

"দন্তকাষ্ঠ কাল বলি আৰু স্নান বলি।
অঙ্গদে পিতৃৰ দিলা পিণ্ড জলাঞ্জলি।।"

চতুর্দশ শতিকাত অসমীয়া সমাজত প্রচলিত শুভা-শুভ, মঙ্গল-অমঙ্গল, বিশ্বাস-ধাৰণা আদিৰ আভাসো কন্দলি ৰামায়ণত ফুটি উঠিছে।ৰামৰ অভিষেক কৰিবলৈ আয়োজন কৰাৰ আগতে দশৰথৰ অশুভ স্বপ্ন দর্শন, বালী যুদ্ধলৈ যোৱাৰ আগতে তাৰাৰ কু-স্বপ্ন দর্শন আৰু যুদ্ধ যাত্রাত সোঁ চকু লৰা আদি তৎকালীন অসমীয়া সমাজত প্রচলিত বিভিন্ন বিশ্বাস-অন্ধবিশ্বাসৰ নিদর্শন কন্দলিয়ে *ৰামায়ণত* সুন্দৰভাৱে দাঙি ধৰিছে।

কন্দলিৰ সমসাময়িক অসমত প্রচলিত ধর্মৰ আভাসো ৰামায়ণত স্পষ্টকৈ দেখিবলৈ পোৱা যায়। কৈলাশ শিখৰে শোভে যেহেন পার্বতী, ৰামৰপ্রাসাদে শোভে কৈলাস সমানে, আমি ভৈলো কৈকেয়ীৰ অষ্টমীৰ ছাগ, কাটিবাক নেই যেন অষ্টমীৰ ছাগ, কৈলাসত দীপিতি কৰন্ত যেন চণ্ডী আদি প্রাচীন অসমত প্রচলিত শৈৱ শাক্ত ধর্মীয় উল্লেখৰ নিদর্শন।

কাব্যিক, সাংস্কৃতিক আৰু ঐতিহাসিক মূল্যৰ বাবে কন্দলিৰ এই অনুবাদমূলক *ৰামায়ণ* কাব্য অসমীয়া সাহিত্যতে নহয় ভাৰতীয় সাহিত্য-সংস্কৃতিৰ ইতিহাসতো এক বিশেষ স্থান লাভ কৰিছে। এই কাব্যই অসমীয়া সাহিত্যৰ ভেটি সুদৃঢ় কৰাৰ লগতে অসমীয়া ভাষাকো সমৃদ্ধিশালী কৰি তুলিলে।

মাধৱ কন্দলিৰ নামত *দেৱজিৎ* নামৰ আন এখন কাব্য প্রচলিত হৈ আছে। অৱশ্যে *ৰামায়ণৰ* তুলনাত এই কাব্যখনৰ কাব্যসুলভ গুণ, ভাষা আদি নিম্নমানৰ হোৱা বাবে সমালোচকসকলে *দেৱজিৎ* কাব্যৰ ৰচক আৰু *ৰামায়ণৰ* ৰচক মাধৱ কন্দলি এজনেই বুলি ক'ব নোখোজে।কিন্তু বহুকাল আগৰে পৰা চলি অহা বিষ্ণুভক্তিৰ আলোচনা, *ৰামায়ণৰ*

ভাষা আৰু প্ৰকাশৰীতিৰ লগত থকা সাদৃশ্য আদিৰ বাবে শৈলেন ভৰালীয়ে দুয়োখনৰ ৰচক মাধৱ কন্দলি একেজনেই বুলি প্ৰতিপন্ন কৰিছে।

কৃষ্ণ আৰু অৰ্জুনৰ মাহাত্ম্য বৰ্ণনেই এই কাব্যখনৰ মূল বিষয়বস্তু। কৃষ্ণৰ সহায়ত অৰ্জুনে স্বৰ্গৰ দেৱতাসকলক পৰাস্ত কৰা বৰ্ণনা ইয়াত পোৱা যায়। কৃষ্ণ আৰু অৰ্জুনে ইন্দ্ৰ সহিতে দেৱতাসকলক পৰাজিত কৰাত দেৱতাগণ শিৱৰ শৰণাপন্ন হয়। শিৱই অৰ্জুনৰ সৈতে যুদ্ধ কৰি পৰাজয় বৰণ কৰে। অৰ্জুনে শৰেৰে ঘৰ বান্ধি হৰক বন্দী কৰে যদিও শিৱই ওলাই আহি পুনৰ যুদ্ধ আৰম্ভ কৰে। অৱশেষত কৃষ্ণই সুদৰ্শন চক্ৰৰে যুদ্ধ কৰিবলৈ লোৱাত শিৱৰ পাশুপাত অস্ত্ৰ ভয়তে তূনত সোমায়। অৰ্জুনে শাৰঙ্গ ধনুৰে যুদ্ধ কৰাত শিৱই ব্ৰহ্মাৰ শৰণাপন্ন হয়। এই কাব্যত যাগ-যজ্ঞ আৰু তপস্যা আদিতকৈ ভক্তিৰ মাহাত্ম্য দেখুওৱা হৈছে। ইয়াত প্ৰায় তেৰশ পদ আছে বুলি আলোচকসকলে মন্তব্য কৰিছে।

কাব্যখনত যুদ্ধৰ বৰ্ণনাই সৰ্বাধিক। কাব্য-কলাৰ দিশত ইয়াৰ মান উচ্চ নহয়। কৃষ্ণৰ সহায়ত অৰ্জুনে দেৱতাসকলক পৰাজিত কৰা বৰ্ণনাৰ দ্বাৰা কাব্যখনত কৃষ্ণৰ মাহাত্ম্যকে প্ৰতিষ্ঠা কৰা হৈছে।



জানি থোৱা ভাল

মাধৱ কন্দলিৰ *ৰামায়ণ* আৰ্য্যমূলীয় ভাৰতীয় প্ৰাদেশিক ভাষাসমূহৰ ভিতৰত সৰ্বপ্ৰথম। কন্দলি *ৰামায়ণ* ৰচনাৰ প্ৰায় একশ-ডেৰশ বছৰৰ পিছতহে হিন্দী, বাংলা, ওডিষা আদি ভাষালৈ মূল সংস্কৃত ৰামায়ণ অনূদিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ *ৰামায়ণৰ* অৱলম্বনত মাধৱ কন্দলিৰ কাব্য-প্ৰতিভা সম্বন্ধে এটা আলোচনা আগবঢ়াওক।

(১৫০টা শব্দৰ ভিতৰত লিখক।)

৫.৩.৫ ৰুদ্ৰ কন্দলি

মহাভাৰতীয় সাহিত্য অনুবাদক হিচাপে প্ৰাক্-শঙ্কৰী যুগৰ ৰুদ্ৰ কন্দলিৰ নাম উল্লেখযোগ্য। তেওঁ তাম্ৰধ্বজ ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰি সংস্কৃত *মহাভাৰতৰ দ্ৰোণ পৰ্ব্ব* অন্তৰ্গত *জয়দ্ৰথ বধৰ* ভিতৰুৱা *সাত্যকি প্ৰৱেশৰ* কাহিনীভাগ অনুবাদ কৰে। ৰজাৰ পৰা অনুপ্ৰেৰণা লাভ কৰা কবিয়ে কাব্যত দিয়া আত্মপৰিচয় প্ৰসঙ্গত তাম্ৰধ্বজ ৰজালৈ প্ৰশংসাৰ শৰাই আগবঢ়াইছে—

"শ্ৰীমন্ত তাম্ৰধ্বজ অনুজে সহিতে।
বৃদ্ধৰ সমান ধৰ্ম শিশু বয়সতে।।

বুদ্ধিত গম্ভীৰ ক্ষেমাৰন্ত শুভনয়।
যাহাৰ যশক সর্বজনে প্রশংসয়।।
বিষ্ণুৰ ভকত মহামায়াৰ সেৱক।
পুত্রৰ সমান কৰি দৰিদ্র পালক।।
দুই ভাইৰ স্নেহ যেন ৰাম লক্ষ্মণৰ।
সবানুবে জীবন্তোক সহস্র বৎসৰ।।"

তাম্রধ্বজৰ পৰিচয় আৰু ৰাজত্ব কালৰ লগতে কবিৰ কাব্য ৰচনাৰ সময়ৰ সম্বন্ধ আছে। কমতাৰ ৰজা দুর্লভ নাৰায়ণৰপ্রতিদ্বন্দ্বী আৰু সমসাময়িক ৰজা ধর্মনাৰায়ণৰ পুত্র শ্রীমন্ত তাম্রধ্বজ। এওঁ দুর্লভ নাৰায়ণৰ পুত্র ইন্দ্রনাৰায়ণৰ সমসাময়িক আৰু দুয়ো চতুর্দশ শতিকাৰ মাজভাগৰ ৰজা। গতিকে এই কালডোখৰেই কবিৰ কাব্য ৰচনাৰ কাল ৰূপে গ্রহণযোগ্য।

অনুবাদৰ ক্ষেত্রত কবিয়ে মূল *মহাভাৰতৰ* বর্ণনাখিনি সম্পূর্ণ অনুসৰণ কৰিছে যদিও প্রয়োজন বিশেষে বর্ণনীয় বিষয় হ্রস্ব-দীর্ঘ নকৰাকৈ থকা নাই। কুৰুক্ষেত্রৰ ৰণত পাণ্ডৱৰ সেনাপতি হিচাপে শিনি পুত্র সাত্যকিৰ যুদ্ধ যাত্রা আৰু বীৰত্বৰ বর্ণনা অংশ অনুবাদ কৰোঁতে কবিয়ে প্রায়ে মূলক অনুসৰণ কৰিছে। অৱশ্যে কাব্যৰ কাহিনীভাগ আকর্ষণীয় কৰি তুলিবৰ বাবে স্থানবিশেষে দুর্বোধ্য কথা চমু কৰিছে আৰু কেতিয়াবা মূলৰ পৰা আঁতৰি আহি নিজাকৈ বিস্তৃতভাৱে বর্ণনা কৰিছে। কন্দলিৰ অনুবাদত সাত্যকিতকৈ দ্রোণৰ লগত হোৱা ধৃষ্টদুম্ন্যৰ পঞ্চভাতৃৰ যুদ্ধ আৰু মৃত্যুৰ বর্ণনাহে বিশেষভাৱে উল্লেখযোগ্য। তাৰ পিছত ক্রমান্বয়ে শিশুপাল পুত্র ধৃষ্টকেতু আৰু তেওঁৰ পুত্র, জৰাসন্ধ পুত্র আৰু কৈকেয় ৰজা বৃহৎক্ষত্রৰ লগত হোৱা দ্রোণৰ তুমুল যুদ্ধৰ বর্ণনাই স্থান পাইছে। কবিয়ে কাব্যৰ কোনো কোনো অংশ স্বকীয় কল্পনাৰে বর্ণনা কৰি আকর্ষণীয় কৰি তোলাৰ প্রচেষ্টা কৰিছে। মূলত নাই যদিও কবিয়ে নিজা কল্পনা শক্তিৰে ঘৰুৱা কথা প্রয়োগ কৰি দ্রোণৰ প্রতি পাঞ্চাল সৈন্যৰ বিযোদগাৰৰ বর্ণনা দাঙি ধৰিছে। বিশেষকৈ দ্রোণৰ ক্ষত্রিয় নীতি আৰু কার্যাৱলীৰ প্রতি পাঞ্চালসকলে কঠোৰ ভাষাৰে কৰা সমালোচনাৰ ক্ষেত্রত কবিয়ে ইতৰ খাপৰ লোকৰ ঘৰুৱা ভাষাৰ গালি-শপনিৰ প্রয়োগ কৰিছে। ইয়ে বর্ণনীয় বিষয়ৰ গাম্ভীর্য কিছু হ্রাস কৰিছে যদিও জনসাধাৰণক মনোৰঞ্জন প্রদান কৰিবলৈ সক্ষম হৈছে—

"মৰিলে মৰিলে ব্রহ্মাবধী পাপশালী।
কিসক লাগিয়া ব্রহ্মাকুলে উপজিলি।।
কিসক লাগিয়া তুমি তপ আচৰিলি।
পুৰাণ সংহিতা পঢ়িলাহা চাৰিবেদ।।
ধর্মৰ শাস্ত্রৰো তুমি জানা অবিচ্ছেদ।
কোন শাস্ত্র বলে ব্রাহ্মণৰ হিংসা ধর্ম।
কিস লাগি এৰিলাহা আপোনাৰ কর্ম।।"

সাত্যকি প্ৰৱেশৰ যুদ্ধ বৰ্ণনাৰ ক্ষেত্ৰত পূৰ্ব কবি মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ প্ৰভাৱ মন কৰিবলগীয়া। বিশেষকৈ তেওঁৰ ৰচনাৰ সৈতে মাধৱ কন্দলি আৰু হৰিবৰ বিপ্ৰৰ যুদ্ধ বৰ্ণনাৰ শব্দ সাদৃশ্য দেখিবলৈ পোৱা যায়। অৱশ্যে এনে সাদৃশ্যৰ অন্তৰালত সংস্কৃত সাহিত্যৰ উপমা আদি অলঙ্কাৰ; কবি প্ৰসিদ্ধিৰ প্ৰভাৱো নুই কৰিব নোৱাৰি। মুঠতে মূলৰ সৈতে সঙ্গতি ৰাখি বাছকবনীয়া শব্দচয়নেৰে যুদ্ধৰ বৰ্ণনা দাঙি ধৰাত কবিৰ প্ৰকাশ দক্ষতাৰ পৰিচয় পোৱা যায়। দ্ৰোণক প্ৰত্যাহ্বান জনোৱা কেকয় ৰজা ক্ষত্ৰধৰ্মাক ধ্বংস কৰাৰ অভিপ্ৰায়েৰে ব্ৰহ্মাস্ত্ৰ উলিওৱাৰ মুহূৰ্ততে অভাৱনীয়ভাৱে পৰিৱৰ্তিত হোৱা প্ৰাকৃতিক পৰিৱেশৰ ভয়াৱহ ৰূপটোৰ চিত্ৰকল্প প্ৰতীক, উপমা আদি অলঙ্কাৰ প্ৰয়োগৰ যোগেদি আকৰ্ষণীয় ৰূপত অঙ্কন কৰিছে—

"যেতিক্ষণে ব্ৰহ্মা অস্ত্ৰ গুণে আনি থৈল।
ধনুৰ্গুণ হস্তে শৰ বজাইবাক লৈল।।
পৃথিৱীয়ো খলকিল সাগৰ কম্পিল।
ত্ৰিদশ দেৱৰ মাজে বিস্ময় মিলিল।।
দশোদিশ উল্কা পৰে পৱয় নিৰ্ঘাত।
ৰুধিৰৰ বৃষ্টি ভৈলা পাণ্ডৱী সেনাত।।
খৰ বায়ু বহে দিব্য ভাগে অন্ধকাৰ।
সকল সেনাৰ মাজে শুনি হাহাকাৰ।।"

দ্ৰোণ পৰ্ব্ব অন্তৰ্গত *সাত্যকি প্ৰৱেশৰ* মূল বিষয়বস্তুক অনুসৰণ কৰোঁতে কবিয়ে কেতিয়াবা মূল সংস্কৃত শ্লোকৰ হুবহু আক্ষৰিক অনুবাদ, কেতিয়াবা আংশিক অনুবাদ, বাকী অংশ ভাৱানুবাদ বা অভিযোজনাৰে আৰু কেতিয়াবা কাহিনীৰ ভাবাৰ্থ অনুধাৱন কৰি সৃজনী প্ৰতিভাৰে মূল বিষয়ৰ বৰ্ণনা পাঠক-শ্ৰোতাৰ বাবে আকৰ্ষণীয় কৰি তুলিছে।

কাব্যখনত অলঙ্কাৰ প্ৰয়োগৰ ক্ষেত্ৰতো কন্দলিৰ দক্ষতাৰ পৰিচয় পাব পাৰি। পৰিৱেশ চিত্ৰণত কবিয়ে স্বকীয় কল্পনাৰে সুকৌশল প্ৰয়োগৰ উপৰি মূলৰ উপমা, উৎপ্ৰেক্ষা আদি অলঙ্কাৰৰো সাৰ্থক অনুবাদ কৰি সেইবোৰক উপযুক্ত স্থানত প্ৰয়োগ কৰি কাব্যৰ ভাবাৰ্থক প্ৰাঞ্জল কৰি তুলিছে। যেনে—

"দ্ৰোণৰ ৰথক ঢাকিলেক শৰবেগে।
ভাস্কৰক ঢাকে যেন বাৰিষাৰ মেঘে।।
তাহাৰ বিক্ৰম দেখি দ্ৰোহণৰ বিস্ময়।
শৰ চোট পায়া বৰ শৰীৰ কাম্পয়।।"


মূলৰ উপমা আদি বিভিন্ন অলঙ্কাৰ অনুবাদৰ মাজত জতুৱা উপমা, ঘৰুৱা চিত্ৰকল্পৰ সংযোগৰ দ্বাৰাও কাব্যৰ বিষয়বস্তু আকৰ্ষণীয় কৰি তোলা হৈছে। উদাহৰণ— 'লালছিঙ্গা পদ্ম যেন কৰয় প্ৰকাশে', 'কেটেলা পশুৰ যেন ভৈল কলেবৰ', 'প্ৰলয়ৰ বহ্নি যেন সংহৰয় প্ৰজা', 'সাগৰে খলকে যেন মগৰে আউৰাইল' আদি। মুঠতে কবিয়ে কম

পৰিসৰৰ অনুবাদৰ মাজেৰে উপমা, উৎপ্রেক্ষা, নিদর্শনা, সমাসোক্তি আদি বিভিন্ন অলঙ্কাৰ প্রয়োগ কৰি কাব্যক চহকী ৰূপ দান কৰিছে। উদাহৰণ—

- *ভাস্কৰক ঢাকে যেন বাৰিষাৰ মেঘে।* (উপমা)
- *পূর্ণ চন্দ্র সম জ্বলে চাৰিৰো বানে।* (ৰূপক)
- *খণ্ড খণ্ড হুৱা গদা ভূমিত পৰিল*
  গগন মণ্ডলে যেন তাৰা সঞ্চৰিল। (উৎপ্রেক্ষা)
- *পৃথিৱীয়ো খলকিল সাগৰ কম্পিল।* (সমাসোক্তি)
- *সর্পক দেখিয়া যেন গৰুড় কাম্পন্ত।* (বিষম)

ৰৈয়াকৰণিক দিশত কবি ৰুদ্র কন্দৰিয়ে সমসাময়িক মাধৱ কন্দলি, হৰিবৰ বিপ্রই অনুসৰণ কৰা ৰৈয়াকৰণিক ৰীতিকে আর্হি হিচাপে লৈছিল।

মুঠতে মূলৰ বিষয়বস্তুৰ ভাবানুবাদ, বিভিন্ন অলঙ্কাৰৰ সুপ্রয়োগ, পূর্বসূৰী কবিৰ ৰৈয়াকৰণিক ৰীতি গ্রহণ, বাছকৰনীয়া শব্দ-চয়ন আদিৰে মহাভাৰতীয় সাহিত্য অনুবাদক হিচাপে ৰুদ্র কন্দলিৰ কাব্যৰচনাৰ দক্ষতা প্রাক্-শঙ্কৰী যুগৰ অন্যান্য কবিসকলৰ সমপর্যায়ৰ বুলি ক'ব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ ৰুদ্র কন্দলিৰ সময় নিৰূপণ কৰি তেওঁৰ কাব্য-প্রতিভাৰ এটি আলোচনা যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক।)



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- প্রাক্-শঙ্কৰী যুগৰ সমগ্র সাহিত্যৰাজি কাব্য ৰূপত ৰচিত। গদ্য ৰূপৰ ব্যৱহাৰ নাই।
- মহাকাব্য, পুৰাণ আদি সংস্কৃত গ্রন্থৰ কাহিনীৰ অৱলম্বনত ৰচিত এই সময়ৰ সাহিত্যৰাজি ঘাইকৈ অনুবাদমূলক। অৱশ্যে এই যুগৰ কবিসকলে দেশ আৰু পাত্রৰ উপযোগী কৰিবৰ বাবে ঠায়ে ঠায়ে নিজা ৰহণ নিদিয়াকৈ থকা নাই।
- *ৰামায়ণ, মহাভাৰত, পুৰাণ* আদি সর্বভাৰতীয় প্রাচীন সাহিত্যৰ আখ্যানৰ অসমীয়া কাব্যিক অনুবাদৰ দ্বাৰা অসমীয়া ভাষাই উচ্চ-সাহিত্যৰ ভাব প্রকাশ কৰিব পৰা ক্ষমতা অর্জন কৰিলে।
- প্রাক্-শঙ্কৰী যুগৰ কবিসকলৰ হাততেই অসমীয়া ভাষাৰ সাহিত্যিক ৰূপ এটাই নির্দিষ্ট গঢ় লয়।
- এই যুগৰ সাহিত্যৰাজি আর্য্যভিন্ন গোষ্ঠীৰ ৰজাসকলৰ পৃষ্ঠপোষকতাত সৃষ্টি হৈছে।
- এই আলোচ্য যুগৰ সাহিত্যৰাজিয়ে পৰৱর্তী কালৰ সাহিত্যিকসকলক বিশেষভাৱে প্রভাৱ বিস্তাৰ কৰি থৈ গ'ল।

- কাব্যিক, সাংস্কৃতিক আৰু ঐতিহাসিক মূল্যৰ বাবে মাধৱ কন্দলিৰ *ৰামায়ণ* অসমীয়া সাহিত্যতে নহয় সমগ্ৰ ভাৰতীয় সভ্যতা সংস্কৃতিৰ ক্ষেত্ৰখনতো বিশেষ স্থান লাভ কৰিছে।
- এই যুগৰ কাব্যৰাজি প্ৰধানতঃ কাহিনীপ্ৰধান।
- প্ৰাক্-শঙ্কৰী যুগৰ সাহিত্যৰাজি আৰম্ভণি স্তৰৰ সাহিত্য হ'লেও এই কালছোৱাৰ সাহিত্যত কবিসকলৰ মৌলিক প্ৰতিভাৰ পৰিচয় পোৱা যায়। এই যুগৰ সাহিত্যৰাজি সাহিত্যিক সৌন্দৰ্য্যৰেও আকৰ্ষণীয় ৰূপ লাভ কৰিছে। বিশেষকৈ এই সাহিত্যৰাজিত পদ, দুলড়ী, ছবি আদি ছন্দৰ ব্যৱহাৰৰ উপৰি ভিন্ ভিন্ অলঙ্কাৰতো সুপ্ৰয়োগ ঘটা দেখা যায়।



৫.৫ অধিক জানিবলৈ

১) নাথ, প্ৰফুল্ল কুমাৰ (২০০৯); *পুৰণি অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ বুকলেণ্ড।

২) নেওগ, ডিম্বেশ্বৰ (১৯৯৩); *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী*; গুৱাহাটী ঃ শুৱনী প্ৰকাশ।

৩) নেওগ, মহেশ্বৰ (১৯৬২); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী।

৪) মজুমদাৰ, তিলক চন্দ্ৰ (১৯৮৭); *প্ৰাচীন অসমীয়া সাহিত্যৰ প্ৰাঞ্জল ধাৰা*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) লেখাৰু, উপেন্দ্ৰ চন্দ্ৰ (১৯৯৩); *অসমীয়া ৰামায়ণ সাহিত্য*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

৬) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৮১); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰিণ্টিং এণ্ড পাব্লিছিং কোঃ।

৭) শৰ্মা, সত্যেন্দ্ৰ নাথ (১৯৮৯); *ৰামায়ণৰ ইতিবৃত্ত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৮) শৰ্মা দলৈ, হৰিনাথ (২০০৫); *অসমীয়া সাহিত্যৰ পূৰ্ণ ইতিহাস*; নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

৯) শৰ্মা, হেমন্ত কুমাৰ (২০১৫); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১০) হাজৰিকা, বিশ্বেশ্বৰ আৰু ব্ৰহ্ম, শোভা (সম্পা.) (২০০৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (প্ৰথম খণ্ড), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ৰজাদুৱাৰ (উত্তৰ গুৱাহাটী)।

৫.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পৃষ্ঠপোষক ৰজাৰ (দুৰ্লভ নাৰায়ণ) ৰাজত্ব কালৰ অৱলম্বনত নিৰূপণ কৰা হেম সৰস্বতীৰ কাব্য ৰচনাৰ সময়... ...কাব্য দুখনৰ বিষয়বস্তুৰ আভাস... ...কাব্যত বৈষ্ণৱ আদৰ্শ প্ৰতিফলনৰ উল্লেখ... ...প্ৰবাদ-প্ৰবচন, অলঙ্কাৰৰ লগতে ভাষাগত প্ৰয়োগৰ বিভিন্ন দিশ আলোচনা কৰি কবিজনাৰ কাব্যৰাজিৰ এটি সম্যক আলোচনা দাঙি ধৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ কবিৰত্ন সৰস্বতীৰ পৰিচয় সূচক বর্ণনা, কাব্য ৰচনাৰ সময়... ...মূলৰ ঘটনাংশৰ অনুবাদত স্বকীয় কাল্পনিক চিন্তাৰে স্থানীয় পৰিৱেশ সৃষ্টি কৰা কবিৰ দক্ষতা... ...পৰৱৰ্তী কবি শঙ্কৰদেৱৰ হৰমোহন খণ্ডৰ *দিব্য উপবন*ৰ বর্ণনাৰ লগত কাব্যৰ *কৈলাস বর্ণনা*ৰ বিষয়গত আৰু ভাষাগত মিলৰ উল্লেখ... ...ভিন্ ভিন্ অংশত স্বকীয় কাল্পনিক বর্ণনা সংযোগেৰে কবিয়ে কাব্যখন কেনেকৈ আকর্ষণীয় ৰূপদান কৰিছে সেই বিষয়ে আলোচনা কৰিব লাগিব।

৩নং প্রশ্নৰ উত্তৰ ঃ পৃষ্ঠপোষক ৰজাৰ ৰাজত্ব কালৰ অৱলম্বনত নিৰূপিত হৰিবৰ বিপ্রৰ কাব্যৰ সময় সম্পর্কে দিয়া সমালোচকসকলৰ মন্তব্যৰ আভাস... ...কবিৰ তিনিওখন কাব্যৰ বিষয়বস্তু চমু পৰিচয়... ...গ্রহণ, বর্জন, সংক্ষিপ্তকৰণ, বিস্তৃতকৰণ ৰীতিৰ দ্বাৰা মূলৰ বিষয়বস্তুৰ অনুবাদৰ আভাস... ...অলঙ্কাৰ, ছন্দ, ফকৰা-যোজনাৰ সুপ্রয়োগৰ দ্বাৰা সৃষ্টি হোৱা কাব্য কেইখনৰ সাহিত্যিক সৌন্দর্য্যৰ চমু আভাস দাঙি ধৰি এটি আলোচনা প্রস্তুত কৰিব লাগিব।

৪নং প্রশ্নৰ উত্তৰ ঃ মাধৱ কন্দলিৰ কাব্য ৰচনাৰ সময়... ...কন্দলি *ৰামায়ণ*ৰ অনুবাদ ৰীতিৰ আভাস... ...কাব্যৰ বিভিন্ন বর্ণনাৰ মাজেৰে স্পষ্ট হৈ উঠা কবিৰ সৃজনী প্রতিভাৰ পৰিচয়... ...সুন্দৰ শব্দচয়ন, প্রবাদ-প্রবচন, ছন্দ-অলঙ্কাৰৰ সুপ্রয়োগেৰে সৃষ্টি হোৱা কন্দলি *ৰামায়ণ*ৰ কাব্যিক সৌন্দর্য্যৰ পৰিচয়... ...তৎকালীন অসমীয়া সমাজ জীৱনৰ প্রতিফলনেৰে স্থানীয় পৰিৱেশ সৃষ্টি কৰি কবিয়ে কেনেকৈ মূলতকৈ অসমীয়া ৰূপত ৰামায়ণখন উপভোগ্য কৰি তুলিলে সেই বিষয়ে আলোচনা কৰিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ পৃষ্ঠপোষক ৰজাৰ ৰাজত্ব কালৰ অৱলম্বনত নিৰূপিত কবি ৰুদ্র কন্দলিৰ কাব্য ৰচনাৰ সময়... ...কাব্যখনক আকর্ষণীয় ৰূপ দান কৰা কবিৰ অনুবাদ ৰীতিৰ আভাস... ...বিভিন্ন অলঙ্কাৰৰ সুপ্রয়োগৰ দ্বাৰা কবিয়ে কাব্যখনক কিদৰে চহকী ৰূপ দান কৰিলে সেই বিষয়ে স্পষ্টকৈ আলোচনা কৰিব লাগিব।



৫.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ প্রাক্-শঙ্কৰী যুগৰ অসমীয়া সাহিত্যৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্রশ্ন ২ ঃ "প্রাক্-শঙ্কৰী যুগৰ অসমীয়া সাহিত্য বিভিন্নজন ৰজাৰ পৃষ্ঠপোষকতাৰ ফল" —বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ হেম সৰস্বতীৰ *প্রহ্লাদ চৰিত্র* এটি চমু আলোচনা কৰক।

প্রশ্ন ৪ ঃ কবিৰত্ন সৰস্বতীৰ পৰিচয় দি তেওঁৰ দ্বাৰা অনূদিত *জয়দ্রথ বধ* কাব্যৰ এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ৫ ঃ কমতাপুৰৰ ৰজাৰ অনুপ্রেৰণা লাভ কৰা কবিসকলৰ ভিতৰত হৰিবৰ বিপ্র সর্বশ্রেষ্ঠ— আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ হৰিবৰ বিপ্ৰৰ ৰচনাৰ ভাষা সম্পৰ্কে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৭ ঃ মাধৱ কন্দলিৰ চমু পৰিচয় দাঙি ধৰি তেওঁৰ *ৰামায়ণৰ* অনুবাদ ৰীতি সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৮ ঃ মাধৱ কন্দলি ৰামায়ণত অসমীয়া সমাজ জীৱনৰ চিত্ৰ কিদৰে প্ৰকাশিত হৈছে চমুকৈ লিখক।

প্ৰশ্ন ৯ ঃ ৰুদ্ৰ কন্দলিৰ পৃষ্ঠপোষক ৰজা কোন? মহাভাৰতীয় সাহিত্যৰ অনুবাদক হিচাপে ৰুদ্ৰ কন্দলিৰ কাব্য অনুবাদৰ ৰীতি সম্পৰ্কে চমুকৈ লিখক।

প্ৰশ্ন ১০ ঃ ৰুদ্ৰ কন্দলিৰ *সাত্যকি প্ৰৱেশ* কাব্যৰ এটি আলোচনা প্ৰস্তুত কৰক।

*** ***** ***